সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক
# ৰঙিলী বাৰ্ত্তা
Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩২ বছৰ, ৩০ সংখ্যা, ৯ শাওণ , ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 30 Date of Publication- 26 July 2026 Rs. 10.00/-

## অৱশেষত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ



ৰঙিলী বাৰ্ত্তাসেৱা- নীট-ইউ জিৰ প্ৰশ্নকাকত ফাদিল বিতৰ্কক লৈ বৃদ্ধি পোৱা হেঁচাৰ মাজত অৱশেষত শনিবাৰে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰে। দিল্লীৰ যন্তৰ মন্তৰত ক'কৰোচ জনতা পাৰ্টী (CJP)ৰ ধাৰাবাহিক আৰু তীব্ৰ আন্দোলনৰ পিছত পদত্যাগ কৰিবলৈ বাধ্য হ'ল কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে। শনিবাৰে শিক্ষামন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিলে ধৰ্মেন্দ্ৰ প্ৰধানে। সামাজিক মাধ্যমত এটা পোষ্টৰ জৰিয়তে পদত্যাগ কৰাৰ কথা ঘোষণা কৰে ধৰ্মেন্দ্ৰ প্ৰধানে। তদুপৰি প্ৰধানমন্ত্ৰী (দহ পৃষ্ঠাত চাওক)

## কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীক দেশৰ শিক্ষাবিভাগৰ দায়িত্ব অৰ্পণ




ৰঙিলী বাৰ্ত্তাসেৱা- শনিবাৰে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী পদৰ পৰা ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগৰ পাছতে নতুনকৈ শিক্ষামন্ত্ৰী হিচাবে প্ৰহ্লাদ যোশীক অতিৰিক্তি দায়িত্ব প্ৰদান কৰা হৈছে । বিভাগীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ পিছতে প্ৰধানমন্ত্ৰীয়ে গ্ৰহণ কৰিছে এই সিদ্ধান্ত। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰামৰ্শ মৰ্মে ইতিমধ্যে ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰিছে। তাৰ পাছতে কেন্দ্ৰীয় খাদ্য, গ্ৰাহক পৰিক্ৰমা আৰু ৰাজহুৱা বিতৰণ বিভাগৰ মন্ত্ৰী প্ৰহ্লাদ যোশীক শিক্ষাবিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে । ৰাষ্ট্ৰপতি ভৱনৰ পৰা প্ৰকাশিত এক চৰকাৰী বিজ্ঞপ্তি অনুসৰি, প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি ভাৰতৰ ৰাষ্ট্ৰপতিয়ে ভাৰতৰ (দহ পৃষ্ঠাত চাওক)

## ফোনযোগে অসমৰ বান পৰিস্থিতিৰ বুজ ল'লে প্ৰধানমন্ত্ৰী মোদীয়ে




ৰঙিলী বাৰ্ত্তাসেৱা- পানী শুকাইছে যদিও ৰাজ্যৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। পানী শুকুৱাৰ পিছত বানাক্ৰান্ত এলেকাত এতিয়া পৰিস্থিতি আৰু অধিক ভয়াৱহ হৈ পৰিছে। বাট-পথ, পথাৰ-সমাৰ, ঘৰ-দুৱাৰ, গোহালি-পদুলি সকলোতে এতিয়া বালি পলস আৰু মৃত গৰু-ছাগলী, হাঁহ-কুকুৰাৰ পুতি গোন্ধময় পৰিৱেশত এতিয়া চাৰিওফালে অবৰ্ণনীয় অৱস্থা বানাক্ৰান্ত জনতাৰ। ইফালে ৰাজ্যৰ ইখনৰ পিছত সিখনকৈ নতুন নতুন জিলাক শাওণৰ বলিয়া বানে আক্ৰান্ত কৰিছে। ইতিমধ্যে ৰাজ্যৰ ৭খনকৈ জিলা এইবাৰৰ বানত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। চৰাইদেউ, শিৱসাগৰ, যোৰহাট, গোলাঘাট, ডিব্ৰুগড়, নগাঁও আৰু কাৰ্বি আংলং জিলা এইবাৰ অধিক পৰিমাণে ক্ষতিগ্ৰস্ত হৈছে। (দহ পৃষ্ঠাত চাওক)

## মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত শনিবাৰে ৰাজ্যিক কেবিনেট বৈঠক লোকসেৱা ভৱনত অনুষ্ঠিত হয়। মূলতঃ ৰাজ্যৰ সৰ্বাংগীণ উন্নয়ন আৰু জনস্বাৰ্থক অগ্ৰাধিকাৰ প্ৰদান কৰি শনিবাৰে অনুষ্ঠিত অসম কেবিনেটে বিভিন্ন ক্ষেত্ৰত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। এই গুৰুত্বপূৰ্ণ কেবিনেট বৈঠকৰ পিছতে সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কেবিনেট সিদ্ধান্তসমূহ সদৰী কৰে। কেইবাগৰাকীও সতীৰ্থ মন্ত্ৰীক লগত লৈ সম্বোধন কৰা সংবাদমেলত কেবিনেট সিদ্ধান্ত সদৰী কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমত ৯ লাখ লাখপতি বাইদেউ আছে। আত্মসহায়ক গোটৰ সদস্যাসকলে জীৱিকা আৰু উদ্যোগৰ উদ্দেশ্যে নিৰ্ধাৰিত বাণিজ্যিক বেংক, আঞ্চলিক বেংক, সমবায় বেংক বা ভাৰতীয় ৰিজাৰ্ভবেংকৰ নিয়ন্ত্ৰণহীন অন্যান্য বিত্তীয় প্ৰতিষ্ঠানৰ পৰা সৰ্বাধিক ১০ লাখ টকা পৰ্যন্ত গ্ৰহণ কৰা ব্যক্তিগত ঋণৰ নথি-পত্ৰ ষ্টাম্প শুল্ক ৰেহাই দিয়াত অনুমোদন জনাইছে। আয়ুৰ্বেদিক চিকিৎসকসকলৰ বাবে নতুন সেৱা বিধিত কেবিনেটে (দুই পৃষ্ঠাত চাওক)

## জ্যোতি-বিষ্ণুও আন্তৰ্জাতিক কলা মন্দিৰৰ ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালাত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত শনিবাৰে অনুষ্ঠিত হয় কৃষি আন্তঃগাঁথনি পুঁজিৰ ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা। কৃষি আন্তঃগাঁথনিৰ উন্নয়নেৰে এখন সমৃদ্ধিশালী অসম গঢ়াৰ প্ৰয়াস হিচাপে আয়োজিত এই কৰ্মশালাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কৃষক, কৃষক উৎপাদক সংস্থা, কৃষিভিত্তিক উদ্যোগী আৰু বেংক আদি বিত্তীয় প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকলে এই কৰ্মশালা তথা সজাগতা অনুষ্ঠানত অংশ লয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষওসকলৰ উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজন আৰু আধুনিক কৃষি আন্তঃ গাঁথনি নিৰ্মাণৰ লক্ষ্যৰে 'কৃষি আন্তঃগাঁথনি পুঁজি' আঁচনিৰ সুচনা কৰিছিল। কৃষকে কেবল ধান বা ফল উৎপাদন কৰাতেই ক্ষান্ত নাথাকি তাক চাউল বা ফলৰ ৰসলৈ ৰূপান্তৰ কৰা, গুদাম ঘৰ বা শীতল ভঁৰালত সংৰক্ষণ কৰা আৰু ড্ৰ'ন, কাষ্টম হায়াৰিং চেণ্টাৰ, ছেন্সৰ, পাম্প, হাইড্ৰ'ক্সপনি', এৰোপনিক্স, পলি হাউচ্চ, মিলিং আৰু ঘানী স্থাপনৰ দৰে আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ কৰাত উৎসাহিত কৰাটোৱেই এই পুঁজিৰ মূল উদ্দেশ্য। প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ ভাৰতবৰ্ষৰ বাবে এই আঁচনিত ১ লাখ কোটি টকা আবণ্টন কৰিছিল, যাৰ ভিতৰত ইতিমধ্যে ৯৫,০০০ কোটি টকা দেশৰ কৃষকসকলে ব্যৱহাৰ কৰি উপকৃত হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে সাধাৰণতে বেংকে ঋণ প্ৰদানৰ বাবে বন্ধকী বিচাৰে, যিটো সৰ্বসাধাৰণ কৃষকৰ বাবে প্ৰদান কৰা সম্ভৱ নহয়। ইয়াৰ উপৰি পূৰ্বৰ কিষাণ ক্ৰেডিট কাৰ্ড আঁচনিৰ সময়ত ২,০০০ কোটি টকাৰ ঋণ ঘূৰি নহাৰ ফলত বেংকসমূহৰ বাবে এক প্ৰত্যাহ্বানৰ সৃষ্টি হৈছিল আৰু (দুই পৃষ্ঠাত চাওক)

# প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে উজনিৰ বান পৰিস্থিতি সুক্ষ্মভাৱে নিৰিক্ষণ কৰি আছেঃ সৰ্বানন্দ সোণোৱাল




ৰঙিলী বাৰ্ত্তাসেৱা- উজনি অসমৰ বান পৰিস্থিতি এতিয়াও অঞ্চল বিশেষে অপৰিৱৰ্তিত ৰূপত আছে। সেয়েহে কেন্দ্ৰীয় চৰকাৰৰ এক প্ৰতিনিধিৰ বিশেষজ্ঞৰ দল অতি শীঘ্ৰেই অসম ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰী মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে সমগ্ৰ ঘটনা-পৰিঘটনা সুক্ষ্মভাবে নিৰিক্ষণ কৰি আছে- এই কথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত এইদৰে সদৰী কৰে। তেওঁ পুনৰাই কয় যে উজনিৰ চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাৰ বহু অঞ্চলত এতিয়াও বানৰ বিভীষিকা অব্যাহত আছে। বহু মানুহৰ জীৱন অকালতে হেৰুৱাব লগীয়া হোৱা, সন্ধানহীন হোৱা, বিশাল কৃষি পথাৰ, পশু-পক্ষীৰ মৃত্যু, মৎস্য জীবিকা লোককে ধৰি আই বানত ৰাইজৰ বহু

*( তিনিপৃষ্ঠাত চাওক)*

# জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা

অসমত আঁচনিখন একপ্ৰকাৰ বন্ধ হোৱাৰ উপক্ৰম হৈছিল। তেওঁ উল্লেখ কৰে যে জমাধনৰ বিপৰীতে বেংকৰ ঋণ প্ৰদানৰ অনুপাত অসমত পূৰ্বৰ ৩২ শতাংশৰ পৰা বৰ্তমান ৭০ শতাংশলৈ বৃদ্ধি পাইছে যদিও ইয়াক ৯০ শতাংশলৈ নিয়াৰ থল আছে, অৰ্থাৎ অসমে আৰু ২০ শতাংশ ঋণ ল'ব পাৰে। কৃষকৰ বন্ধকীৰ সমস্যা দূৰ কৰিবলৈকে প্ৰধানমন্ত্ৰীয়ে এটা 'ক্ৰেডিট গেৰাণ্টি ফাণ্ড' গঠন কৰিছে, যিয়ে কৃষকৰ ঋণৰ গেৰাণ্টি ল'ব আৰু বেংকসমূহক সুৰক্ষা প্ৰদান কৰিব। এই আঁচনিৰ জৰিয়তে ২ কোটি টকালৈকে ঋণৰ ওপৰত চৰকাৰে ৩ শতাংশ সুতৰ ৰেহাই প্ৰদান কৰে আৰু সুদৰ হাৰ সৰ্বাধিক ৯ শতাংশৰ ভিতৰত সীমিত ৰখা হয়। সাধাৰণ ঋণত হিতাধিকাৰীৰ অংশ ২৫ শতাংশৰ বিপৰীতে এই আঁচনিত বেংকে ৯০ শতাংশ ঋণ দিয়ে আৰু হিতাধিকাৰীয়ে মাত্ৰ ১০ শতাংশ বহন কৰিব লাগে। ৰাজ্যৰ হিতাধিকাৰীসকলৰ বাবে ইয়াৰে ৫ শতাংশ ৰাজ্য চৰকাৰে বহন কৰিব বুলি ঘোষণা কৰি তেওঁ কয় যে কৃষক উৎপাদক সংস্থাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে হিতাধিকাৰীৰ অংশৰ সম্পূৰ্ণ ১০ শতাংশই বহন কৰিব। এই আঁচনিৰ উপভোক্তাসকলে পিএম কুসুম, পিএম এফ এম ই, এম আই ডি এছ আৰু আৰ কে ভি ৱাই আদি অন্যান্য চৰকাৰী আঁচনিৰো সুবিধা একেলগে গ্ৰহণ কৰিব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে অবগত কৰে। ভাৰত চৰকাৰে অসমৰ বাবে এই পুঁজিৰ পৰা ২, ০৫০ কোটি টকা আবণ্টন কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানলৈকে ৰাজ্যখনৰ ৮৯৩ গৰাকী কৃষক, কৃষক উৎপাদক সংস্থা আৰু উদ্যোগীলে ১, ১৮১ কোটি টকাৰ ঋণ অনুমোদন জনোৱা হৈছে আৰু ইয়াৰে ৭৩৬ কোটি টকা ইতিমধ্যে তেওঁলোকৰ একাউন্টত সোমাইছে। এই ক্ষেত্ৰত তেওঁ ৰাজ্যৰ কেইবাগৰাকীও সফল হিতাধিকাৰীৰ নাম উল্লেখ কৰে, যিসকলে এই আঁচনিৰ অধীনত সৰ্বাধিক ৰ কোটি টকা পৰ্যন্ত ঋণ লাভ কৰিছে। ৰাজ্যৰ জিলাসমূহৰ ভিতৰত নগাঁও জিলাৰ সৰ্বাধিক ১৩১ গৰাকী হিতাধিকাৰীয়ে এই ঋণ লাভ কৰিছে বুলি তেওঁ অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিৰ অধীনত ৰাজ্যলৈ অনুমোদিত পুঁজিৰ পৰা অসমে এতিয়াও অতিৰিক্ত ৯০০ কোটি টকাৰ ঋণ ল'ব পাৰে। তেওঁ লগতে সদৰী কৰে যে প্ৰধানমন্ত্ৰীয়ে এই আঁচনিৰ সফলতাৰ প্ৰতি লক্ষ্য ৰাখি নতুনকৈ আৰু ৰ লাখ কোটি টকাৰ অনুমোদন জনাইছে। যোৱাবাৰ ২, ০০০ কোটি টকাৰ আবণ্টন পোৱা অসমৰ বাবে এইবাৰ ৪, ০০০ কোটি টকাৰ পুঁজি অনাৰ প্ৰয়াস কৰা হ'ব বুলি তেওঁ অৱগত কৰে। অসম এখন বানপীড়িত ৰাজ্য হোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে কৃষিখণ্ডত পৰম্পৰাগত ধান খেতিৰ সমান্তৰালভাৱে উদ্যান শস্য আৰু উচ্চ মূল্যৰ কৃষি সামগ্ৰী উৎপাদনত গুৰুত্ব আৰোপ কৰে। তেওঁ উল্লেখ কৰে যে অসমত চাউলৰ বাবে প্ৰতিটো উন্নয়ন খণ্ডতে ভঁৰালঘৰৰ প্ৰয়োজন আৰু ব্যাপক চাহিদালৈ লক্ষ্য ৰাখি সৰিয়হৰ তেলৰ সংসাধন বৃদ্ধিৰো যথেষ্ট থল আছে। কাৰ্বি আংলং আৰু শিলচৰৰ ধলাই অঞ্চলৰ আদা আৰু আনাৰস, অসমৰ নেমু, ভোট জলকীয়া, ৰঙা চাউল, কোকৰাঝাৰৰ কাঠফুলা আদিৰ সংসাধনৰ মাধ্যমেৰে কৃষকে উচিত মূল্য লাভ কৰিব পাৰে বুলি তেওঁ কয়। চাহপাতৰ ক্ষেত্ৰত মেচিনৰ সলনি ঢেঁকীত খুন্দা অৰ্গেনিক চাহৰ সুকীয়া সোৱাদ আৰু ব্যাপক চাহিদাৰ কথা উদাহৰণস্বৰূপে উল্লেখ কৰি তেওঁ চাহ সংসাধনো এই আঁচনিৰ অনুমোদিত প্ৰকল্প বুলি স্পষ্ট কৰে। নিজৰ শেহতীয়া জাপান ভ্ৰমণৰ অভিজ্ঞতা বৰ্ণনা কৰি তেওঁ কয় যে তাৰ হোটেলত পৰিৱেশ-অনুকূল বাঁহৰ টুথব্ৰাছ ব্যৱহাৰ কৰা হয়। বাঁহৰ পৰা টুথপেষ্টকে ধৰি ১৮০ বিধ সামগ্ৰী প্ৰস্তুত কৰিব পাৰি আৰু বৰ্তমান নুমলীগড়ত বাঁহৰ পৰা তেল উৎপাদন কৰি থকা হৈছে বুলি তেওঁ উদাহৰণ দাঙি ধৰে। এইদৰে কৃষিজাত সামগ্ৰীৰ সঠিক ব্যৱহাৰ আৰু সংসাধনৰ জৰিয়তে এখন আত্মনিৰ্ভৰশীল অসম গঢ়াৰ লক্ষ্যত বৰ্তমান ৰাজ্যৰ ৮০০ৰো অধিক উদ্যোগী স্বতঃস্ফূৰ্তভাবে আগবাঢ়ি অহাটো অতিশয় আনন্দৰ খবৰ বুলি সন্তুষ্টি প্ৰকাশ কৰি ৰাজ্যৰ উদ্যমী যুৱক-যুৱতীসকলক এই আঁচনিৰ সুবিধা ল'বৰ বাবে আগবাঢ়ি আহিবলৈ তেওঁ আহ্বান জনায়। এই অভিলাষী আঁচনিৰ বিষয়ে সজাগতা সৃষ্টি কৰিবলৈ মুখ্যমন্ত্ৰীয়ে সকলো মন্ত্ৰী-বিধায়ক, কৃষি বিভাগ আৰু বেংকসমূহক আহ্বান জনায় যাতে ৰাজ্যৰ প্ৰতিটো অঞ্চলৰ যুৱক-যুৱতীসকল ইয়াৰ লগত জড়িত হ'ব পাৰে। এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ কৃষি ইত্যাদি বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী অতুল বৰা, পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আদি বিভাগৰ মন্ত্ৰী বামেশ্বৰ তেলী, সামাজিক ন্যায় আৰু সবলীকৰণ আদি বিভাগৰ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ, পশুপালন আৰু পশুচিকিৎসা আদি বিভাগৰ মন্ত্ৰী নীলিমা দেৱী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, সাংসদ বিজুলী কলিতা মেধি, বিধায়কসকল ক্ৰমে দিগন্ত কলিতা, ৰূপক শৰ্মা, চক্ৰধৰ গগৈ, বিজয় গুপ্তা, মিলন দাস, শশীকান্ত দাস, প্ৰকাশ দাস, বিকন চন্দ্ৰ ডেকা, কিশোৰ নাথ আৰু তপন দাস, ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ বিভাগৰ যুটীয়া সচিব আনবালাগান পি, ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ আয়ুক্ত-সচিব অৰুণা বাজৰিয়া প্ৰমুখ্যে অন্যান্য শীৰ্ষ বিষয়াসকল আৰু অসমৰ বিভিন্ন স্থানৰ পৰা অহা কৃষি উদ্যোগীসকল উপস্থিত থাকে।

সম্পাদকীয় শিতান...

দেৱাশীষ গোস্বামী

# জীয়া চকুলোৰ প্লাৱন

কেউফালে গুজৰি
গুমৰি আহিলে বান
উটুৱাই নিলেহি গাওঁখন
সুখৰে ঘৰখন......
পলকতে উটি গৈ
গোহালিৰে গৰুহাল......

জুবিন দাই বাস্তৱ জীৱনৰ মৰ্মান্তিক বৰ্ণনা ইতিমধ্যে তেখেতৰ গানৰ মাজেৰে কৰি গৈছে। গানৰ প্ৰত্যেকটো শব্দই অতি সহজ আৰু সুন্দৰকৈ বাখ্যা কৰিছে মানুহৰ ওপৰত প্ৰকৃতিৰ নিৰ্মম প্ৰহাৰৰ, বাখ্যা কৰিছে প্ৰকৃতিৰ নিৰ্দয় তাণ্ডৱ লীলাৰ।

প্ৰকৃতিৰ শান্ত সৌম্য ৰূপৰ সুধাপান কৰিবলৈ আমি কত যে কি নকৰো। প্ৰকৃতিৰ ৰূপ লাবণ্যকে সাৰথি হিচাপে লৈ বৃহৎ পৰ্যটন ক্ষেত্ৰ গঢ় লৈ উঠিছে। চৰকাৰী চাকৰিৰ আকালৰ দিনত বহু সংখ্যক নিবনুৱা সংস্থাপিত হৈছে। প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ স্থান সমূহ বৰ্তমান সকলোৰে আকৰ্ষণৰ মূল কেন্দ্ৰ স্থল। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাই সুচল মানৱ জীৱনৰ মূল চাবি-কাঠি।

পিছে অতি পৰিতাপৰ কথা যে উন্নতিৰ জখলাডালত আমি যিমানেই ওপৰলৈ উঠি গৈ আছো, প্ৰকৃতিৰ ওপৰত অত্যাচাৰো দুগুণে বঢ়াইছো। Common People অৰ চকুত ধূলি মাৰি ধন ঐশ্বৰ্য্যকে একমাত্ৰ উদ্দেশ্য হিচাপে লৈ নৰপিশাচ এচামে কৰা প্ৰকৃতিৰ ধ্বংস যজ্ঞই ইতিমধ্যে Limit Cross কৰিছে। সহ্যাতীত অত্যাচাৰৰ প্ৰত্যুত্তৰ দিবলৈ প্ৰকৃতিয়েও অকনো কুণ্ঠাবোধ নকৰা হৈছে। ফল ভোগ কৰিবলগীয়া হৈছে নিৰীহ জনসাধাৰণ বা Common People খিনিয়ে। প্ৰকৃতিয়ে চলোৱা তাণ্ডৱৰ বৰ্ণণা যেতিয়া ভাষাৰে দিব নোৱাৰি, লিখি ব্যক্ত কৰিবলৈও শব্দৰ অভাৱ ঘটে। কেৱল মাত্ৰ কেৱল ভুক্তভোগীয়েহে বুজি পাই সেই তাণ্ডৱৰ মৰ্মবেদনা। প্ৰকৃতিৰ তাণ্ডৱৰ Photo বা Video চাই আমি মাথো ইচ ইচ আচ আচহে কৰিব পাৰো।

মাথো কেইদিনমান আগতে যোৰহাট, শিৱসাগৰ, নাজিৰাত প্ৰকৃতিৰ তাণ্ডৱ লীলাৰ সাক্ষী আমিবোৰ। ইও আন এক প্ৰাকৃতিক ধ্বংস যজ্ঞৰেই ফল বুলি অধিকাংশই অভিহিত কৰিব খোজে। ডাৱৰ বিস্ফোৰণৰ সত্যতা সন্দেহৰ আবৰ্তত। The India Meteorological Department চমুকৈ IMDয়েও ইতিমধ্যে উক্ত ডাৱৰ বিস্ফোৰণৰ কথা অস্বীকাৰ কৰিছে। প্ৰকৃতিৰ এই অবৰ্ণনীয় তাণ্ডৱত অকালতে প্ৰাণ হেৰুওৱা আপোনজনৰ মৃতদেহ পৰ্য্যন্ত বিচাৰি নোপোৱাৰ মৰ্মবেদনা, অতিকৈ মৰমৰ, পৰিয়ালৰ একোজন সদস্যৰ দৰে স্থান দখল কৰা জীৱ-জন্তু সমূহ চকুৰ পলকতে উটুৱাই নিয়াৰ দৃশ্য সমূহে জীৱনৰ শেষ উশাঁহলৈকে ভুক্তভোগী সকলৰ লগতে আমাক সকলোকে বৰ বেয়াকৈ আমনি কৰিব। প্ৰকৃতিয়ে তাণ্ডৱ চলোৱা এলেকা সমূহৰ বাসিন্দা সকল পুনৰ সাধাৰণ জীৱন যাপনলৈ ঘূৰি আহিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হ'ব।

অৱশ্যে এইহেন দুৰ্যোগৰ মাজতো জাতি ধৰ্ম ভাষা নিৰ্বিশেষে মানবীয় প্ৰমূল্যবোধেৰে বহুতো ব্যক্তি, দল-সংগঠনে হাতে হাত ধৰি দুৰ্গত সকলক সহায়ৰ বাবে আগুৱাই আহিছে। ৰাজনীতি তথা নিজ স্বাৰ্থৰ উৰ্ধত উক্ত ব্যক্তি তথা দল সংগঠন সমূহৰ মহানুভৱতাক সকলোৱে একমুখে প্ৰশংসা কৰিছে। মানৱতাৰ জয়গান গোৱাৰ এইয়াই উত্তম সময়। ভাতৃত্ববোধৰ এনাজৰীডাল সুদৃঢ় কৰাৰ এইয়াই উত্তম সময়। মহাকাব্য ৰচনাৰ উত্তম সময়। জীয়া চকুলোৰ প্লাৱন হাহিঁৰ ৰদেৰে উজ্জ্বলাই জীৱন যুদ্ধত আগুৱাই যাবলৈ প্ৰেৰণা যোগোৱাৰ উত্তম সময়।

# মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত

অনুমোদন জনাইছে। ৰেচন কাৰ্ডৰ জৰিয়তে দালি, চেনি, চাউল দিয়াৰ যি প্ৰক্ৰিয়া সেয়া আগষ্ট মাহৰ পৰা আমি দিয়াৰ ব্যৱস্থা কৰা হ'ব। ৰাজ্যিক কেবিনেটে অসমৰ চিকিৎসা মহাবিদ্যালয় আৰু দন্ত চিকিৎসা মহাবিদ্যালয় (প্ৰথম বৰ্ষৰ এমবিবিএছ/বিডিএছ পাঠ্যক্ৰমত নামভৰ্তি নিয়ন্ত্ৰণ) অধিনিয়ম-২০১৭ৰ সংশোধনীত অনুমোদন জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ইয়াৰ জৰিয়তে ২০২৬ শিক্ষা বৰ্ষৰ পৰা মৰাণ-মটক-টাই আহোম-চুতীয়া-কোচ ৰাজবংশী সম্প্ৰদায়ৰ বাবে বৰ্তমানে থকা আসনৰ সংখ্যা এখনকৈ বৃদ্ধি কৰা হৈছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল অসমৰ স্থায়ী বাসিন্দা অনাথ শিক্ষাৰ্থীসকলক লৈ কেবিনেটে এক লক্ষণীয় সিদ্ধান্তগ্ৰহণ কৰিছে। এই সিদ্ধান্ত অনুসৰি ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহত অসমৰ স্থায়ী বাসিন্দা অনাথ শিক্ষাৰ্থীৰ বাবে পৰীক্ষামূলকভাৱে দুখন আসন সংৰক্ষণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়া মতে ৰাজ্যিক কেবিনেটে অসম আয়ুৰ্বেদিক স্বাস্থ্যসেৱা বিধি-২০২৬ত অনুমোদন জনাইছে। এই সম্পৰ্কত তেওঁ কয় যে এই বিধিয়ে স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ অধীনত অসম আয়ুৰ্বেদিক স্বাস্থ্য সেৱাত নিযুক্ত আয়ুৰ্বেদিক চিকিৎসা বিষয়াসকলৰ নিয়োগ আৰু সেৱাৰ চৰ্তসমূহ নিয়ন্ত্ৰণ কৰিব। এই বিধিৰ জৰিয়তে আয়ুস শিক্ষাৰ দায়িত্ব চিকিৎসা সঞ্চালকালয়ক অৰ্পণ কৰা হ'ব।

# কেন্দ্ৰীয় ৰে'ল ৰাজ্যমন্ত্ৰী ৰৱনীত সিং বিট্টুৰ পদত্যাগ



ৰঙিলী বাৰ্ত্তাসেৱা- শুকুৰবাৰে কেন্দ্ৰীয় ৰে'ল আৰু খাদ্য সংসাধন উদ্যোগ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ৰৱনীত সিং বিট্টুৱে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ পৰা পদত্যাগ কৰে। যোৱা ২১ জুনত তেওঁৰ ৰাজ্যসভাৰ কাৰ্যকালৰ অন্ত পৰে। ৰাষ্ট্ৰপতি ভৱনে এক বিবৃতিত প্ৰকাশ কৰা অনুসৰি, ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে শুকুৰবাৰে পঞ্জাৱ বিজেপিৰ নেতাগৰাকীৰ পদত্যাগ পত্ৰ তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ গ্ৰহণ কৰে। বিবৃতিটোত উল্লেখ কৰা হৈছে, "প্ৰধানমন্ত্ৰীৰ পৰামৰ্শমৰ্মে ভাৰতৰ সংবিধানৰ ৭৫নং অনুচ্ছেদৰ (২) দফামতে ভাৰতৰ ৰাষ্ট্ৰপতিয়ে ৰৱনীত সিঙৰ কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ পৰা দিয়া পদত্যাগ পত্ৰ তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ

# প্ৰশ্নকাকত ফাদিল হ'লেই ১০ বছৰৰ কাৰাদণ্ড



ৰঙিলী বাৰ্ত্তাসেৱা- নীট কাণ্ডক কেন্দ্ৰ কৰি সমগ্ৰ দেশ উত্তাল হৈ থকাৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৃহস্পতিবাৰে মাজনিশা তৰুণ প্ৰজন্মৰ ভৱিষ্যতক লৈ হেতালি খেলাসকলক ৰেহাই নিদিয়াৰ স্পষ্ট বাৰ্তা দিয়াৰ পিছতেই কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে কেন্দ্ৰই। শুকুৰবাৰে অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটৰ বৈঠকে 'ৰাজহুৱা পৰীক্ষা (অসৎ উপায় প্ৰতিৰোধ) আইন-২০২৪ সংশোধনী বিধেয়ক'ত অনুমোদন জনায়। য'ত প্ৰশ্নকাকত ফাদিলকে ধৰি পৰীক্ষাত অৱলম্বন কৰা বিভিন্ন অসৎ উপায় প্ৰতিৰোধকল্পে অভিযুক্তসকলৰ ক্ষেত্ৰত কঠোৰ শাস্তিৰ বিধান ৰখা হৈছে। এই সংশোধনী বিধেয়কখন সংসদত উত্থাপনৰ সম্ভাৱনা আছে চলিত বৰ্ষাকালীন অধিৱেশনৰ সময়ছোৱাতে। সংসদত সংশোধনী বিধেয়কখন গৃহীত তথা আইনলৈ পৰিণত হোৱাৰ প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ লগে লগে দেশৰ পৰীক্ষা ব্যৱস্থা যথেষ্ট কঠোৰ হৈ পৰিব। বিশেষকৈ প্ৰশ্নকাকত ফাদিলৰ ঘটনাত অভিযুক্তসকলে অধিক কঠোৰ শাস্তিৰ সন্মুখীন হ'ব লাগিব। সমান্তৰালভাৱে সম্ভৱ হৈ পৰিব এই সংক্ৰান্তীয় ঘটনাৰ দ্ৰুত বিচাৰো। সংশোধনী বিধেয়কখনত উল্লেখ থকা অনুসৰি দোষীয়ে ৩ ৰ পৰা ৫ বছৰৰ কাৰাদণ্ডৰ সন্মুখীন হ'ব লাগিব। আদায় দিব লাগিব সৰ্বোচ্চ ১০ লাখ টকাপৰ্যন্ত জৰিমনা। তদুপৰি পৰীক্ষা পৰিচালনাৰ দায়িত্বত যিবোৰ সংস্থা থাকিব, তেওঁলোক প্ৰশ্নকাকত ফাদিলৰ ঘটনাত দোষী

# নাগালেণ্ডৰ হোৱা অভাৱনীয় বৰষুণে উজনি অসমত ক্ষতি কৰিলেঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- বান পৰিস্থিতিৰ মোকাবিলা আৰু চলি থকা উদ্ধাৰ-সাহায্য কাৰ্যৰ অগ্ৰগতি পৰ্যালোচনাৰ উদ্দেশ্যে জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠক অনুষ্ঠিত কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বৈঠকৰ অন্তত সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও বিষয়ৰ ওপৰত তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয়, শিৱসাগৰ জিলাৰ নাজিৰা সমষ্টিত প্ৰায় ৫০ হাজাৰ অৰ্থাৎ ৩০ শতাংশ আৰু শিৱসাগৰৰ ৩০ হাজাৰ অৰ্থাৎ ২০শতাংশ লোকৰ সৈতে এতিয়াও সম্পৰ্ক স্থাপন কৰিব পৰা নাই প্ৰশাসনে। অৱশ্যে চৰাইদেউৰ ১০০ শতাংশ স্থানত সাহায্য প্ৰদান কৰা হৈছে যদিও শিৱসাগৰ আৰু নাজিৰাৰ পৰিৱেশ ইমানেই ভয়াৱহ যে পানী কমাৰ পিছতো অব্যাহত আছে বিভীষিকা। ৪ফুটপৰ্যন্ত পলস আৰু বোকাই পুতি পেলাইছে ঘৰ, পথ আৰু পথাৰ। এনে জটিল পৰিস্থিতিৰ কথা অৱগত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ২০ জুলাইৰ পিছত উজনি অসমৰ শিৱসাগৰ যোৰহাট আৰু চৰাইদেউ জিলাত যি পৰিস্থিতিৰ সৃষ্টি হ'ল, ইয়াৰ আঁৰত আছে নাগালেণ্ডত হোৱা অভাৱনীয় বৰষুণ। ডাৱৰ বিস্ফোৰণৰ ফলত এনে পৰিস্থিতিৰ সৃষ্টি হৈছে নে তাক এতিয়াও ঠিৰাং কৰা হোৱা নাই যদিও পাহাৰীয়া ৰাজ্যখনত পৰিমাণতকৈ অধিক হাৰত হোৱা বৰষুণে অসমত যে দুৰ্যোগসদৃশ পৰিৱেশ সৃষ্টি কৰিলে সেয়া স্পষ্ট হৈছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়- ১৮ আৰু ২০ জুলাইৰ মাজত অসম, মণিপুৰ আৰু মেঘালয়ত যথেষ্ট পৰিমাণৰ বৰষুণ হয়। কিন্তু নাগালেণ্ডত সাধাৰণ বৰষুণতকৈ ১৮০ শতাংশ বৰষুণ হয়। বিশেষকৈ নাগালেণ্ডৰ মুককচুঙত ৪৯৩ শতাংশ, ৱখাত ১০৮ শতাংশ আৰু মন জিলাত ৪৫ শতাংশ বেছি বৰষুণ হয় । চৰাইদেউত সাধাৰণ বৰষুণতকৈ ৪৩৬ শতাংশ বেছি বৰষুণ হৈছিল। ইফালে শিৱসাগৰত ১৩৪ শতাংশ বেছি বৰষুণ হয় । প্ৰৱল বৃষ্টিপাতৰ ফলত জিলা কেইখন জলমগ্ন হৈ পৰে । ইফালে ব্ৰহ্মপুত্ৰৰ জলস্তৰো বৃদ্ধি পায় । চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ পৰা পানী ওলাই যাব পৰা নাছিল ব্ৰহ্মপুত্ৰলৈ । চৰাইদেউত ৪৩৬ শতাংশ আৰু শিৱসাগৰত ১৩৪শতাংশ অতিৰিক্ত বৰষুণ হোৱাৰ ফলত এই পানীৰ বোজা ব্ৰহ্মপুত্ৰই ল'ব নোৱাৰাত ভয়াৱহ পৰিৱেশৰ সৃষ্টি হয়। ২০ জুলাইৰ দিনা চৰাইদেউত ৩১.৭ মিলিলিটাৰৰ ঠাইত ১৭১ মিলিলিটাৰ বৰষুণ হয় আৰু শিৱসাগৰত এই সময়ছোৱাত সাধাৰণতে হোৱা ৩৯.৯ মিলিলিটাৰ বৰষুণৰ পৰিৱৰ্তে ৯৩.২ মিলিলিটাৰ বৰষুণ হৈছে। সেয়াই নহয়, নাগালেণ্ডৰ মন জিলাত এই সময়ছোৱাত সাধাৰণতে হোৱা ৩৫.৪ মিলিলিটাৰ

# প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে

ক্ষতিসাধন হৈছে। এই প্ৰতিকূল সময়ত বানাক্ৰান্ত পৰিয়ালসমূহৰ কাষত থিয় দিয়াটো আমাৰ এক নৈতিক দায়িত্ব। সেই উদ্দেশ্যৰে অসম অলিম্পিক সন্থাৰ উদ্যোগত খাদ্য, বস্ত্ৰৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰী লৈ নাজিৰা, চৰাইদেউ আৰু শিৱসাগৰৰ বানপীড়িত অঞ্চলসমূহলৈ সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে বুলি ডিব্ৰুগড়ৰ জালান আউটডৰ' ষ্টেডিয়ামৰপৰা এই সাহায্য অভিযানৰ শুভাৰম্ভ কৰা বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ব্যক্ত কৰে। এই সাহায্য কেইবাটাও ভাগত বিতৰণ কৰা হ'ব বুলি ঘোষণা কৰা হ'ব বুলিও উল্লেখ কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উজনিৰ বানক লৈ কেন্দ্ৰীয় চৰকাৰৰ স'তে প্ৰত্যক্ষভাৱে তথা ক্ষীপ্ৰ যোগাযোগ অব্যাহত ৰাখিছে। আনহাতেদি সাহায্য সামগ্ৰী প্ৰেৰণ কৰাৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে পুনৰাই কয় যে ঐক্যবদ্ধ প্ৰচেষ্টা আৰু সামূহিক সহযোগিতাৰ জৰিয়তে এই সংকট অতিক্ৰম কৰিব পাৰিম বুলি বিশ্বাস ৰাখিছোঁ। বানপীড়িত পৰিয়ালসমূহৰ বাবে ইতিমধ্যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে যৌথ প্ৰচেষ্টাত তৎপৰতাৰে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। এই সাহাৰ্য বিতৰণৰ সময়ছোৱাত উপস্থিত থাকে বিজেপি অসম প্ৰদেশৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়া, বিধায়কদ্বয় তৰংগ গগৈ আৰু দীপ্লু ৰঞ্জন শৰ্মা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ, ভাৰতীয় জনতা যুৱ মৰ্চা অসম প্ৰদেশৰ সভাপতি ৰাকেশ দাস, ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়া প্ৰমুখ্যে অনান্য বিষয়ববীয়া সকল।

# ডিব্ৰুগড়ত গল্পকাৰ মিলন সভা সম্পন্ন- "গল্পবৈভৱ" উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়া ভাষা সাহিত্যৰ বিশাল পথাৰখনক সৃষ্টিশীল সাহিত্যৰে অনন্য মাত্ৰা প্ৰদান কৰাৰ উদ্দেশ্যে ডিব্ৰুগড়ৰ কেইগৰাকীমান বিশিষ্ট সাহিত্যিকে- ২০২৪ চনত প্ৰতিষ্ঠা লাভ কৰিছিল "গল্পকাৰ মিলন সভা"। দুবছৰীয়া এই অনুষ্ঠানটিয়ে বিগত বৰ্ষত বহুকেইটা গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ সফল ৰূপায়ণ কৰি অহা অংশ হিচাপে শ্ৰী শ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত সাহিত্য বিষয়ত এখনি গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত কৰা হয়। গল্পকাৰ মিলন সভাৰ সভাপতি গন্ধেশ্বৰ শইকীয়াই সভাপতিত্ব কৰা অনুষ্ঠানৰ লগত সংগতি ৰাখি গল্প বিষয়ক এখনি আলোচনা সত্ৰও অনুষ্ঠিত কৰা হয়। সভাৰ আৰম্ভণিতে গল্পকাৰ মিলন সভাৰ সভাপতি গন্ধেশ্বৰ শইকীয়াই বন্তি প্ৰজ্বলন কৰা সভাত গল্পকাৰ মিলন সভাৰ কাৰ্যকৰী সভাপতি জ্যোতি বৰগোহাঁইয়ে উদ্বোধন কৰা সভাত আদৰণি ভাষণ আগবঢ়ায় কাৰ্যকৰী সভাপতি কুসুম্বৰ টাইৰাই গগৈয়ে। গল্পকাৰ তথা মানকটা শতদল শাখা সাহিত্য সভাৰ সভাপতি কুসুম সোণোৱাল শইকীয়াই আঁতধৰা সভাত সমল ব্যক্তি হিচাপে বিশিষ্ট গল্পকাৰ টুনুজ্যোতি গগৈয়ে গল্পৰ ইতিহাস, গল্প লিখাৰ কৌশল আদিৰ সম্পৰ্কত এক মনোগ্ৰাহী আৰু সাৰগৰ্ভ ভাষণ আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট গল্পকাৰ অৱসৰপ্ৰাপ্ত শিক্ষক-কিৰণ চন্দ্ৰ মেছে সম্পাদনা কৰি প্ৰকাশ কৰা আৰু প্ৰথমবাৰৰ বাবে চাৰিশ চল্লিছ পৃষ্ঠা জোৰা আৰু ১৭৮ জন গল্পকাৰে লিখা অসমৰ প্ৰথমখন গল্পসংকলন "গল্পবৈভৱ" গ্ৰন্থখনি উন্মোচন কৰে বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ উপ সভাপতি পদুম ৰাজখোৱাই। 'গল্পকাৰ মিলন সভা' অনুষ্ঠানটিয়ে- অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ উন্নতি সাধনৰ অৰ্থে আৰু জনমুখী সাহিত্য-যাত্ৰাৰে আয়োজিত অনুষ্ঠাত ডিব্ৰুগড় জিলাৰ অন্তৰ্গত নাহৰকটীয়া- দুলিয়াজান- নামৰূপ- মৰাণ, ডিব্ৰুগড়-চাচনি- লাহোৱাল- বকুল- লেজাই, জামিৰাকে ধৰি অন্যান্য প্ৰান্তৰ বহু সংখ্যক গল্পকাৰ উপস্থিত থাকি অনুষ্ঠানটি প্ৰাণৱন্ত কৰি তোলে।

# গোলাঘাটৰ বান-আশ্ৰয় শিবিৰ পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

ৰঙিলী বাৰ্তাসেৱা- উজনি অসমৰ চৰাইদেউ, শিৱসাগৰ, যোৰহাট জিলাৰ লগতে গোলাঘাটত জিলাতো বানে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। গোলাঘাট জিলাত ব্ৰহ্মপুত্ৰ, ধনশিৰি, গেলাবিল আৰু কাকডোঙা নদীৰ বাঢ়নী পানীয়ে জলমগ্ন কৰিছে বিভিন্ন অঞ্চল । উজনিৰ জটিল বান পৰিস্থিতিৰ বুজ ল'বলৈ গোলাঘাট জিলাত উপস্থিত হ'ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। গোলাঘাট জিলাৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰি ক্ষয়-ক্ষতি আৰু উদ্ধাৰ-সাহায্য অভিযানৰ বুজ লোৱাৰ লগতে জিলাখনৰ কেইবাটাও বান সাহায্য শিবিৰলৈ গৈ শিবিৰসমূহত আশ্ৰয় লৈ থকা বানপীড়িত ৰাইজৰ সৈতে বাৰ্তালাপ কৰে। গোলাঘাটৰ কমাৰবন্ধাস্থিত ভাস্কৰ ছিনিয়ৰ বেছিক স্কুলত স্থাপন কৰা সাহায্য শিবিৰটো পৰিদৰ্শন কৰে। এই শিবিৰত উপস্থিত হৈ বন্যাক্ৰান্তক উদ্দেশ্যি মুখ্যমন্ত্ৰীৰ সান্তনা বাণী- আপোনালোকে একো চিন্তা নকৰিব। মই সকলো সহায় কৰি দিম। খেতিৰ কাৰণে বানপানী নোহোৱা ঠাইৰ পৰা আপোনালোকক কঠীয়া আনি দিম। উল্লেখ্য যে কমাৰবন্ধাৰ এই আশ্ৰয় শিবিৰত বৰ্তমান ১৭৮গৰাকী বন্যাৰ্তই আশ্ৰয় লৈ আছে। মুখ্যমন্ত্ৰীয়ে বানপীড়িতৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যাসমূহ, দৈনন্দিন প্ৰয়োজন আৰু সন্মুখীন হোৱা বিভিন্ন অসুবিধাৰ বুজ লয়। এই শিবিৰ পৰিদৰ্শনৰ অন্তত মুখ্যমন্ত্ৰীয়ে কয় যে বানপীড়িতসকলৰ প্ৰতিটো প্ৰয়োজন অগ্ৰাধিকাৰ ভিত্তিত পূৰণ কৰাৰ বাবে জিলা প্ৰশাসন তথা বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশনা প্ৰদান কৰা হৈছে। উল্লেখ্য যে শেহতীয়া বানত গোলাঘাট জিলাৰ ২৫ হাজাৰৰো অধিক লোক প্ৰভাৱিত হৈছে। ইয়াৰ পিছতে



মুখ্যমন্ত্ৰীয়ে নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা বান সাহায্য শিবিৰটো পৰিদৰ্শন কৰি তেওঁলোকৰ অৱস্থাৰ বুজ লয়। ১৮২গৰাকী বান প্ৰভাৱিত লোক থকা এই শিবিৰটোত যথেষ্টসংখ্যক শিশুয়ো আশ্ৰয় গ্ৰহণ কৰি আছে। মুখ্যমন্ত্ৰীয়ে শিশুসকলক চকলেট বিতৰণ কৰি তেওঁলোকৰ সৈতে কিছু সময় কটাই বাৰ্তালাপ কৰে। শিবিৰটোত থকা কণ কণ শিশুসকলক অংগনবাড়ী কৰ্মীয়ে পাঠদান কৰা দৃশ্য তেওঁ কাষৰ পৰা প্ৰত্যক্ষ কৰে আৰু শিশুসকলক সাহসেৰে পিতৃ-মাতৃৰ সৈতে থিয় হৈ থাকিবলৈ উৎসাহ প্ৰদান কৰে। শিবিৰ পৰিদৰ্শনৰ পিছত মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত শেহতীয়া *(দহ পৃষ্ঠাত চাওক)*

# প্ৰশ্নকাকত ফাদিলৰ বিচাৰৰ বাবে ফাষ্টট্ৰেক আদালত গঠন কৰা হ'বঃপ্ৰধানমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- দিল্লীৰ যন্তৰ মন্তৰত নীট-ইউ জিৰ প্ৰশ্নকাকত ফাদিলক লৈ প্ৰতিবাদ চলি থকাৰ মাজতে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত ঘোষণা কৰিলে যে প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ বিচাৰৰ বাবে ফাষ্টট্ৰেক আদালত গঠন কৰা হ'ব। বৃহস্পতিবাৰে এই সিদ্ধান্তৰ কথা ঘোষণা কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এক্স পোষ্টত প্ৰধানমন্ত্ৰী মোদীয়ে লিখিছে- প্ৰশ্নকাকত ফাদিলৰ সৈতে জড়িত লোকসকলক দ্ৰুত আৰু কঠোৰ শাস্তি নিশ্চিত কৰিবলৈ ফাষ্ট ট্ৰেক আদালত গঠন কৰা হ'ব । লগতে সংশ্লিষ্ট বিভাগসমূহক এই দিশত যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে ।প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ যুৱক-যুৱতীসকলৰ কল্যাণ আৰু ভৱিষ্যত চৰকাৰৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ বুলি উল্লেখ কৰে ।যুৱক-যুৱতীসকলৰ ভৱিষ্যতৰ লগত খেলা কৰা কোনো লোকক ৰেহাই দিয়া নহ'ব বুলিও তেওঁ উল্লেখ কৰে । বৃহস্পতিবাৰে পুৱাৰ ভাগতে দেশৰ যুৱক-যুৱতীসকলৰ ওচৰত থিয় দিয়াৰ বাৰ্তা দিয়ে প্ৰধানমন্ত্ৰীয়ে। *( নপৃষ্ঠাত চাওক)*

# টেলিফোনযোগে অসমৰ বান পৰিস্থিতিৰ বুজ ল'লে অমিত শ্বাহে



ৰঙিলী বাৰ্তাসেৱা- অসমৰ বান পৰিস্থিতিয়ে অতি ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। শিৱসাগৰ, যোৰহাট, গোলাঘাট, শোণিতপুৰ আদি জিলাৰ শ শ গাঁও এতিয়াও পানীৰ তলত আছে। ৰাজ্যখনৰ এনেৰ বান পৰিস্থিতিক লৈ চৰকাৰো উদ্বিগ্ন হৈ পৰিছে । তাৰ মাজতে কেন্দ্ৰীয় চৰকাৰেও ৰাজ্য চৰকাৰৰ সৈতে বান পৰিস্থিতি সম্পৰ্কে আলোচনা কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে টেলিফোনযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা ৰাজ্যৰ বান পৰিস্থিতিৰ বিষয়ে বুজ লয়।বাৰ্তালাপৰ পিছত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা এক বিজ্ঞপ্তি অনুসৰি অহা ২৫ জুলাইৰ পৰা কেন্দ্ৰীয় আন্তঃ মন্ত্ৰালয়ৰ দলে অসমত বানৰ ক্ষয়ক্ষতিৰ পৰ্যালোচনা কৰিব। দলটোৱে পৰিদৰ্শন কৰিব ৰাজ্যখনৰ বন্যাক্ৰান্ত এলেকা। উল্লেখ্য যে ইয়াৰ পূৰ্বে যোৱা ৭ জুলাইৰ পৰা *(দহ পৃষ্ঠাত চাওক)*

# ক্ৰাইম ব্ৰাঞ্চৰ চমনত গুৱাহাটীত উপস্থিত কংগ্ৰেছ নেতা পৱন খেড়া




ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীত উপস্থিত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা পৱন খেড়া । মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পত্নী তথা প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ অধ্যক্ষা তথা পৰিচালন সঞ্চালক ৰিণিকি ভূঞা শৰ্মাৰ গোচৰত পুনৰ অপৰাধ শাখাত হাজিৰ হ'বলৈ গুৱাহাটীলৈ আহিল পৱন খেড়া ।ইয়াৰ পূৰ্বে ক্ৰাইমব্ৰাঞ্চে কেইবাবাৰো পৱন খেড়াক হাজিৰ হোৱাৰ বাবে চমন জাৰি কৰিছিল যদিও হাজিৰ হোৱা নাছিল। দলীয় কাৰ্যসূচী আৰু শাৰীৰিক অসুস্থতাৰ বাবে হাজিৰ হোৱা নাছিল ।উল্লেখ্য যে যোৱা ৬ এপ্ৰিলত ৰিণিকি ভূঞা শৰ্মাৰ এজাহাৰৰ ভিত্তিত দুবাৰকৈ অপৰাধ শাখাই মাৰাথন জেৰা চলাইছিল কংগ্ৰেছ নেতা খেড়াক। তাৰ পাছতো জেৰাত হাজিৰ হ'বলৈ পূৰ্বে দুবাৰকৈ অপৰাধ শাখাই চমন জাৰি কৰাৰ পাছতো জেৰাত হাজিৰ হোৱা নাছিল পৱন খেড়াই। অৱশেষত বৃহস্পতিবাৰে দিনৰ প্ৰায় ৰচ বজাত অপৰাধ শাখাত হাজিৰ হয় কংগ্ৰেছৰ জ্যেষ্ঠ নেতা পৱন খেড়া।আৰক্ষীৰ জেৰালৈ যোৱাৰ পূৰ্বে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কংগ্ৰেছ নেতা খেড়াই কয় যে কিছু ব্যক্তিগত অসুবিধাৰ বাবে পূৰ্বে দুবাৰ মই হাজিৰ হ'ব পৰা নাছিলোঁ। এবাৰ স্বাস্থ্য সংক্ৰান্তৰ বাবে আৰু আনবাৰ ৰাজ্যসভা নিৰ্বাচন সংক্ৰান্তীয় কামৰ বাবে। উল্লেখ্য যে অসম বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে ৫ এপ্ৰিলত সংবাদমেল সম্বোধন কৰি পৱন খেড়াই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ তিনিখনকৈ পাছপ'ৰ্ট আৰু বিদেশত সম্পত্তি থকাৰ অভিযোগ উত্থাপন কৰিছিল ।এনে অভিযোগক ভিত্তিহীন আখ্যাৰে মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মাই পৱন খেড়াৰ বিৰুদ্ধে অপৰাধ শাখাত এজাহাৰ দাখিল কৰিছিল। এই এজাহাৰ ভিত্তিত আৰক্ষীয়ে গোচৰ ৰুজু কৰাৰ পাছতে আৰক্ষীয়ে পৱন খেড়াক বিচাৰি দিল্লী পৰ্যন্ত অভিযান *( পাঁচ পৃষ্ঠাত চাওক)*

# বানপানীৰ ভয়ংকৰ পৰিস্থিতিৰ মাজতে তিনিখন গেটেৰে পানী এৰিলে নীপকোৱে

ৰঙিলী বাৰ্তাসেৱা- উজনি অসমত বৰ্তমান বানপানীয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে।এই ভয়াৱহ পৰিস্থিতিৰ মাজতে গোলাঘাট জিলাৰ ৰাইজলৈ আন এক ডাঙৰ বিপদ নামি আহিছে।বৃহস্পতিবাৰে নীপকোৱে দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ মুঠ তিনিখনকৈ গেট খুলি দিয়াৰ ফলত এই আতংকৰ সৃষ্টি হৈছে। উল্লেখ্য যে বিগত কেইবাদিনো ধৰি নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত দৈয়াং নদীৰ জলস্তৰ বৃদ্ধি পাই আহিছে। ইয়াৰ সমান্তৰালকৈ দৈয়াং নৈত থকা নীপকোৰ জলবিদ্যুৎ প্ৰকল্পৰ জলস্তৰো কম-বেছি পৰিমাণে বৃদ্ধি পাই আছে। বুধবাৰে পুৱা বিদ্যুৎ প্ৰকল্পৰ ৰিজাৰ্ভাৰটোৰ জলস্তৰ ই এল ৩১৯.৫০ মিটাৰ বৃদ্ধি পাইছিল। এনে পৰিস্থিতিত ৰিজাৰ্ভাৰটো Full Reservoir Level (ইএল ৩২৪.০০ মিটাৰ) অৰ্থাৎ পানীৰে পূৰ্ণ হৈ যোৱাৰ আশংকা কৰিছিল নীপকো কৰ্তৃপক্ষই। যাৰ বাবে নীপকো কৰ্তৃপক্ষই গোলাঘাট জিলা প্ৰশাসনৰ লগত আলোচনা কৰি প্ৰয়োজনসাপেক্ষে ৰেডিয়েল গেটসমূহ পৰ্যায়ক্ৰমে খুলিবলৈ যো-জা কৰিছিল।বৃহস্পতিবাৰে পুৱাৰে পৰা দৈয়াং জলবিদ্যুৎ প্ৰকল্পত জলস্তৰ পুনৰ বৃদ্ধি

# ৫ বছৰত ৰাজ্যত ১,৮২০খন নতুন সুৰাৰ বিপণিৰ অনুজ্ঞাপত্ৰ প্ৰদান

ৰঙিলী বাৰ্ত্তাসেৱা- ২০১৬ চনৰ পহিলা এপ্ৰিলৰ পৰা ২০২১ চনৰ ৩১ মাৰ্চলৈ ৰাজ্যত মুঠ ৬৮৯ খন চৰকাৰী অনুজ্ঞাপত্ৰ থকা সুৰাৰ বিপণি আছিল ।ইয়াৰ পাছত ২০২১ চনৰ পহিলা এপ্ৰিলৰ পৰা ২০২৬ চনৰ ১০ মে'লৈ ৰাজ্যত নতুনকৈ ১৮২০ খন সুৰাৰ বিপণিৰ অনুজ্ঞাপত্ৰ দিয়া হৈছে । বুধবাৰে অসম বিধানসভাৰ মজিয়াত এই তথ্য সদৰী কৰে ৰাজ্য চৰকাৰৰ আবকাৰী বিভাগৰ মন্ত্ৰী অতুল বৰাই। অৰ্থাৎ যোৱা ৫ বছৰত ৰাজ্য চৰকাৰে অসমত নতুনকৈ ১, ৮২০খন নতুন সুৰাৰ বিপণী খোলাৰ বাবে অনুজ্ঞা-পত্ৰ প্ৰদান কৰে। কংগ্ৰেছ দলৰ বিধায়ক ড° জয়প্ৰকাশ দাসে চলিত ষষ্ঠদশ অসম বিধানসভাৰ নৱম দিনা অৰ্থাৎ বুধবাৰে সদনত উত্থাপন কৰা এটা লিখিত প্ৰশ্নৰ উত্তৰত এই তথ্য সদৰী কৰে বিভাগীয় মন্ত্ৰী অতুল বৰাই। তেঁও লগতে সদৰী কৰে যে চৰকাৰে নগৰাঞ্চলত চলি থকা ৰেষ্টুৰেণ্টসমূহত আৰু গাঁও পঞ্চায়তত পৰ্যটন বিভাগৰ অনুমোদিত স্থানত আবেদন অনুযায়ী বাৰৰ অনুজ্ঞা-পত্ৰ প্ৰদান কৰা হয়। ইয়াৰ উপৰি আবেদন অনুযায়ী দেশীয় সুৰাৰ দোকানবো অনুজ্ঞা-পত্ৰ ( নপৃষ্ঠাত চাওক)

# বানত প্ৰাণ হেৰুৱা মৃতকৰ আত্মীয়লৈ ৪ লাখকৈ সাহায্য দিব ৰাজ্য চৰকাৰে




ৰঙিলী বাৰ্ত্তাসেৱা- উজনি অসমৰ বানবিধ্বস্ত তিনিখন জিলাৰ বান পৰিস্থিতি অধ্যয়নৰ বাবে বুধবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বানাক্ৰান্ত বিভিন্ন অঞ্চল ভ্ৰমণ কৰে। মুখ্যমন্ত্ৰীয়ে শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউৰ জলপ্ৰলয়ত আক্ৰান্ত কেইবাটাও অঞ্চল ভ্ৰমণ কৰি বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বানাক্ৰান্ত ৰাইজৰ সৈতে মত বিনিময় কৰে ।আশ্ৰয় শিবিৰত আশ্ৰয় লোৱা বানাক্ৰান্তসকলৰ দুখৰ সমভাগী হোৱাৰ লগতে মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ ক্ষয়-ক্ষতি আৰু অভাৱ-অভিযোগৰ বুজ লয় ।লগতে বিভিন্ন অঞ্চলত আশ্ৰয় শিবিৰত থকা বানাক্ৰান্তসকলৰ সমস্যাসমূহ যিমান সম্ভৱ সোনকালে চৰকাৰে সমাধান কৰিব বুলিও আশ্বাস প্ৰদান কৰে । আনহাতে প্ৰলয়ংকৰী বানত যিসকল লোকে প্ৰাণ হেৰুৱালে তেওঁলোকৰ নিকটাত্মীয়লৈ শীঘ্ৰে ৰাজ্য চৰকাৰে ৪ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়াব। সোণাৰিত এই কথা ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াকো উল্লেখ কৰে যে বানাক্ৰান্ত ৰাইজক ৰাজ্য চৰকাৰে যিমানখিনি পাৰে সকলোধৰণৰ সহায় আগবঢ়াব। বানে উটুৱাই নিয়া ঘৰ, পশুধন, ৰন্ধন বাচন-বৰ্তনকে ধৰি সকলো ধৰণৰ ক্ষতিৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে বানাক্ৰান্তক প্ৰতিশ্ৰুতি দিয়ে। ইফালে, বানত মৃত্যু হোৱা লোকৰ সৎকাৰৰ বাবে স্থানীয় জিলা ( নপৃষ্ঠাত চাওক)

# ক্ৰাইম ব্ৰাঞ্চৰ চমনত

চলাই যদিও গ্ৰেপ্তাৰত ব্যৰ্থ হৈছিল ।ইয়াৰ পাছত তেলেংগানা উচ্চ ন্যায়ালয়ে পৱন খেড়াক ৭ দিনৰ বাবে চৰ্ত সাক্ষেপে অগ্ৰিম জামিন প্ৰদান কৰিছিল। কিন্তু এনে জামিনৰ নিৰ্দেশনাত ত্ৰুটি ৰৈ যোৱা বাবে অসম চৰকাৰে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয়। গুৱাহাটীৰ ক্ৰাইম ব্ৰাঞ্চত ৰুজু হোৱা গোচৰৰ ভিত্তিত উচ্চতম ন্যায়ালয়ে পৱন খেড়াক প্ৰদান কৰা তেলেংগানা উচ্চন্যায়ালয়ৰ চৰ্ত সাক্ষেপ জামিনৰ নিৰ্দেশনাত স্থগিতাদেশ জাৰি কৰে। ইয়াৰ পাছতে পৱন খেড়াই এনে স্থগিতাদেশৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই পুনৰ উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয়। কিন্তু শুনানিৰ অন্তত উচ্চতম ন্যায়ালয়ে পৱন খেড়াৰ আবেদনখন খাৰিজ কৰি তেওঁক অসমৰ আদালতত জামিন আবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। অৱশেষে পৰৱৰ্তী সময়ত কেতবোৰ চৰ্তত কংগ্ৰেছ নেতা খেড়াই অগ্ৰিম জামিন লাভ কৰে যদিও আদালতে তদন্তত আৰক্ষীক সৰ্বতোপ্ৰকাৰে সহযোগ কৰাৰ নিৰ্দেশ দিয়ে। তৃতীয়বাৰৰ বাবে অপৰাধ শাখাত হাজিৰ হৈ আৰক্ষীক সকলো প্ৰকাৰে সহযোগ কৰিব বুলি মন্তব্য কৰি খেড়াই কয় যে আৰক্ষীয়ে যিমানবাৰেই মাতিব সিমানবাৰেই আহিম। উল্লেখ্য যে বৃহস্পতিবাৰৰ দিনৰ প্ৰায় ১২ বজাৰ পৰা নিশা ১০ বজালৈ ৯ ঘণ্টাজুৰি অপৰাধ শাখাই মাৰাথন জেৰা চলাই পৱন খেড়াক যাবলৈ অনুমতি দিয়ে।

# অনশন প্ৰত্যাহাৰ কৰিবলৈ চৰকাৰক নতুন চৰ্ত ৱাংচুকৰ



ৰঙিলী বাৰ্ত্তাসেৱা- জলবায়ু কৰ্মী তথা শিক্ষা সংস্কাৰক সোণম ৱাংচুকে বুধবাৰে কেন্দ্ৰীয় চৰকাৰৰ আগত নিজৰ অনিৰ্দিষ্টকালীন অনশন বৰ্জন কৰাৰ বাবে চৰ্ত বান্ধি দিয়ে । কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডা আৰু জিতেন্দ্ৰ সিঙলৈ লিখা চিঠিত তেওঁ জনায় যে প্ৰশ্নকাকত ফাদিলৰ সন্দৰ্ভত চৰম সিদ্ধান্ত লোৱা পটুৱৈসকলক ক্ষতিপূৰণ প্ৰদান, সংসদত আলোচনা আৰু শিক্ষামন্ত্ৰীক জবাবদিহি কৰাটো নিশ্চিত হ'লেই তেওঁ অনশন ভংগ কৰাৰ কথা চিন্তা কৰিব। লগতে আন্দোলনকাৰী যুৱকসকলৰ ওপৰত কোনো আইনী ব্যৱস্থা নোলোৱাৰ লিখিত নিশ্চয়তাও বিচাৰে তেওঁ। চিঠিখনত ৱাংচুকে দাবী কৰে যে ২০ জুলাইত 'সংসদ চলো' কাৰ্যসূচী শান্তিপূৰ্ণ আছিল। আন্দোলনত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী আৰু যুৱকসকলৰ বিৰুদ্ধে কোনো প্ৰতিহিংসামূলক আইনী ব্যৱস্থা নোলোৱাৰ লিখিত নিশ্চয়তাও তেওঁ বিচাৰে। তেওঁৰ অভিযোগ যে আন্দোলন দমনত অতিৰিক্ত বল প্ৰয়োগ কৰা হৈছে আৰক্ষীৰ দ্বাৰা। ৱাংচুকে জনায় যে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰায় ৬৫জন সাংসদে তেওঁক অনশন ভংগ কৰাৰ আবেদন জনাইছে। কিন্তু আন্দোলনত অংশগ্ৰহণ কৰা যুৱক- ( নপৃষ্ঠাত চাওক)

# বানপানীৰ ভয়ংকৰ

পাই বিয়লি ৪ বজালৈকে ৩২২.২৫ মিটাৰ হোৱাত নীপকোৱে মুঠ চাৰিখন ৰেডিয়েল গেটৰ তিনিখনেৰে ০.৫০ মিটাৰকৈ বৰ্ধিত পানী দৈয়াং নদীত এৰি দিছে। বিদ্যুৎ প্ৰকল্পটোত এনেকৈয়ে জলস্তৰ বৃদ্ধি পাই থাকিলে চাৰিখন গেটেৰে নীপকোৱে কম-বেছি পৰিমাণে পানী এৰি দিয়াৰ আশংকা আছে বুলি জানিব পৰা গৈছে। ইফালে গোলাঘাট জিলাৰ ধনশিৰি আৰু দৈয়াং নৈৰ জলস্তৰ বৃদ্ধি পাই থকাৰ সময়তে নীপকোৱে এৰি দিয়া অতিৰিক্ত পানীয়ে নৈ দুখনৰ বুকু ওফন্দাই পেলাইছে। অৱশ্যে, নীপকোৰ পানীয়ে যাতে জিলাখনৰ এই গাঁওসমূহক বিশেষ ক্ষতি কৰিব নোৱাৰে তাৰ বাবে জিলা প্ৰশাসনে তৎপৰতাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত দৈয়াং নদীত বৃদ্ধি পাব পৰা জলস্তৰৰ ফলত গোলাঘাট জিলাত যাতে কোনো জীৱন আৰু সম্পত্তিৰ ক্ষয়-ক্ষতি নহয় তাৰ বাবে জিলা প্ৰশাসনে নৈপৰীয়া লোকসকলক শংকিত নহৈ সতৰ্ক হ'বলৈ আহ্বান জনাইছে। জিলা প্ৰশাসনে পৰৱৰ্তী জাননী নোপোৱালৈকে নৈপৰীয়া গাঁৱৰ লোকসকলক নদীৰ কাষৰ পৰা আঁতৰি থাকিবলৈকো আহ্বান জনাইছে। লগতে এই সময়ছোৱাত নদীত সাঁতোৰা, মাছ ধৰা, গা ধোৱা, নদীৰ কাষত খেলা-ধূলা কৰা আদিৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে জিলা প্ৰশাসনে। ইয়াৰ বিপৰীতে বাঢ়নী পানীয়ে সৃষ্টি কৰিব পৰা পৰিস্থিতিৰ মুখামুখি হোৱাৰ বাবে প্ৰশাসন সম্পূৰ্ণৰূপে সাজু আছে আৰু জনসাধাৰণক আতংকিত নহৈ এই সময়ছোৱাত প্ৰশাসনক সহযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। ইয়াৰ বিপৰীতে বাঢ়নী পানীয়ে সৃষ্টি কৰিব পৰা পৰিস্থিতিৰ মুখামুখি হোৱাৰ বাবে প্ৰশাসন সম্পূৰ্ণৰূপে সাজু আছে আৰু জনসাধাৰণক আতংকিত নহৈ এই সময়ছোৱাত প্ৰশাসনক সহযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

# যুক্তৰাজ্যত অসম সাহিত্য সভাৰ ২৮সংখ্যক বাৰ্ষিক অধিবেশন সম্পন্ন



ৰঙিলী বাৰ্ত্তাসেৱা- যুক্তৰাজ্যত অসম সাহিত্য সভাৰ ২৮সংখ্যক বাৰ্ষিক অধিবেশন উত্তৰ ইংলেণ্ডৰ নৰ্থ শ্বিল্ডছত অনুষ্ঠিত হয়। সাহিত্য সভাৰ সভাপতি গীতা বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত অধিবেশনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অধ্যাপিকা ড° নিলীমা ভাগৱতী। অনুষ্ঠানৰ আৰম্ভণিতে সাহিত্য সভাৰ পতাকা উত্তোলন কৰা হয় "চিৰ চেনেহী মোৰ ভাষা জননী" সমবেত সংগীতেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। আদৰণি ভাষণত সভাপতি গীতা বৰুৱাই প্ৰবাসত জন্মগ্ৰহণ কৰা নতুন প্ৰজন্মক অসমীয়া ভাষা আৰু সংস্কৃতিৰ সৈতে সংযুক্ত কৰি ৰাখিবলৈ ভাষা-সংস্কৃতি কৰ্মশালা, ডিজিটেল আৰ্কাইভ, দ্বিভাষিক শিক্ষাৰ সমল আৰু অনলাইন শিক্ষামঞ্চ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। নতুনকৈ যুক্তৰাজ্যলৈ অহা প্ৰবাসী অসমীয়া সকলক একত্ৰিত কৰাৰ প্ৰয়োজনীয়ৰ কথাও উল্লেখ কৰে। উপ- সভাপতি নিৰলা বৰুৱাই মাতৃভাষাৰ গুৰুত্ব ব্যাখ্যা কৰি কয়, "এখন জাগ্ৰত আৰু শক্তিশালী ভাষা নথকা জাতি স্পন্দনহীন হৃৎপিণ্ডৰ দৰে"। সভাৰ সম্পাদিকা জাহ্নবী গগৈয়ে মুখ্য অতিথি ডঃ নিলীমা ভাগৱতীক পৰিচয় কৰাই দিয়ে। ড° ভাগৱতীয়ে ভাষণত নৱপ্ৰজন্মৰ উজ্জ্বল ভৱিষ্যৎ গঢ়াত অভিভাৱক আৰু শিক্ষকৰ ভূমিকা বিশেষভাৱে ( নপৃষ্ঠাত চাওক)

# শাওণৰ দুশাৰীমান



**প্ৰভাত বণিয়া**

নাযায় নুপুৰাই অপেক্ষাৰ দিন-ৰাতি
কেতিয়া ফুলিব বুকুৰ গোলাপ
নৈ খন সাৰ পাই উঠিব
হাবি গুচি ফুলনি হ'ব আমাৰ
অজলা গাওঁ
তিৰবিৰাই স্বপ্নৰ বৰ ঘৰ
গাভৰু জোনৰ চিটিকি অহা একলা স্বচ্ছ ৰূপালী জিলিকনি
মনত দুখ থাকিলেও জ্বালা যন্ত্ৰণাত দহি থাকিলেও
শাওণৰ এঠালতীয়া বোকা মাটি বৰ হেঁপাহৰ
শাৰী শাৰীকৈ ভুঁই ৰুই মন জুৰাও
দেহা শাত পেলাওঁ
অপেক্ষাৰ দিন উকলিব
সেউজীয়া হ'ব
আমাৰ লখিমী পথাৰ।

# দামৰ জুইত দগ্ধ সাধাৰণ জনতা



**কুণ্ডিল হাজৰিকা, যোৰহাট, ভগামুখ**

ৰাজ্যৰ সাম্প্ৰতিক খুচুৰা বজাৰসমূহত অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ অনিয়ন্ত্ৰিত মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ গ্ৰাহকৰ মাজত এক হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। দিনক-দিনে অপ্ৰতিৰোধ্যভাৱে বৃদ্ধি পোৱা দৰৰ বাবে বিশেষকৈ সমাজৰ নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীৰ উপভোক্তাসকল চৰম আৰ্থিক সংকট আৰু দুশ্চিন্তাৰ মুখামুখি হ'বলগীয়া হৈছে।

শেহতীয়াভাৱে চাউল, মিঠাতেল, চেনি তথা পিয়াজৰ দৰে দৈনিক প্ৰয়োজনীয় অপৰিহাৰ্য সামগ্ৰীৰ আকাশলঙ্ঘী মূল্যে প্ৰতিটো পৰিয়ালৰে মাহেকীয়া বাজেট সম্পূৰ্ণৰূপে বিধ্বস্ত কৰি পেলাইছে।

বজাৰৰ শেহতীয়া পৰিস্থিতি অনুসৰি, সচৰাচৰ ব্যৱহাৰ কৰা প্ৰায় প্ৰতিটো মানদণ্ডৰ চাউলৰ প্ৰতি বস্তাতে পূৰ্বতকৈ ১৫০ টকাৰ পৰা ৩০০ টকা পৰ্যন্ত অতিৰিক্ত দৰ বৃদ্ধি পাইছে। একেদৰে, ৰান্ধনীশালৰ অপৰিহাৰ্য উপাদান মিঠাতেলৰ খুচুৰা মূল্যও কোম্পানীভেদে প্ৰতি লিটাৰত ১০ টকাৰ পৰা ২৫ টকা পৰ্যন্ত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ইয়াৰ ফলত গ্ৰাম্য তথা চহৰীয়া মধ্যবিত্ত গৃহস্থৰ মূৰত এক তীব্ৰ বিত্তীয় চাপ পৰিছে। ইয়াৰ সমান্তৰালভাৱে, চেনিৰ বৰ্ধিত দৰ আৰু অতি চুটি সময়ৰ ভিতৰতে পিয়াজৰ বজাৰ মূল্য প্ৰায় দুগুণলৈ বৃদ্ধি পোৱাত সাধাৰণ জনতাই তীব্ৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে।

সচেতন মহলৰ মতে, ৰাজ্যৰ বজাৰসমূহত সামগ্ৰীৰ এনে অনিয়ন্ত্ৰিত দৰবৃদ্ধিৰ ফলত সৃষ্টি হোৱা সংকটৰ পৰা সৰ্বসাধাৰণক সকাহ দিবলৈ যোগান বিভাগ আৰু প্ৰশাসনৰ তৰফৰ পৰা ক্ষিপ্ৰ তথা ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে। অন্যথা, ক্ৰমবৰ্ধিত এই মূল্যবৃদ্ধিৰ গ্ৰাসে অনাগত দিনত সাধাৰণ নাগৰিকৰ জীৱন যাত্ৰা অধিক দুৰ্বিষহ কৰি তুলিব।

# মৰমেৰে এচুমা



**মেৰী বৰদলৈ, নগাঁও, ফুলগুৰি**

মৰমেৰে এচুমা
দিয়াচোন
দুহাতত
বুকুৰ আচঁলত
বান্ধি ৰাখিম
আজীৱন।
এটি হাঁহি মাৰি
মৰমেৰে এচুমা
আঁকি দিয়াচোন
মোৰ দুচকুত
আনে দেখাকৈ
জিলিকাই ৰাখিম
মোৰ দুচকুৰ পটাত
আজীৱন।
মৰমেৰে এচুমা
দিয়াচোন
মোৰ উশাহত
কলিজাতে
বান্ধি লৈ ফুৰিম
আজীৱন!

# কিছুমান সন্তানক সহানুভূতি নহয় সহমৰ্মিতাৰ প্ৰয়োজন



**প্ৰাণ প্ৰতিমা বড়া,অধিবক্তা তথা লেখিকা,গুৱাহাটী**

সময় আৰু পৰিবেশ পৰিস্থিতিয়ে মানুহৰ মানসিক স্থিতি বিভিন্ন সময়ত সলনি কৰিব পাৰে। আমি এনে কিছুমান মানুহ দেখিছোঁ যিসকল জন্মৰ সময়ত ল'ৰা বা ছোৱালী হৈ জন্ম গ্ৰহণ কৰিছে। সন্তান জন্মৰ আনন্দই এখন ঘৰৰ পৰিবেশ সুখময় কৰি তোলে। সময় অতিবাহিত হয়। সন্তানটি লহপহকৈ বাঢ়িবলৈ ধৰে। কিন্তু হঠাৎ ঘৰখনলৈ কিছু অৰাজকতাৰ আগমন ঘটে। কেতিয়াবা এনেকুৱা হয় লহপহকৈ বাঢ়ি অহা ল'ৰাজনে ছোৱালীৰ দৰে থাকি ভাল পোৱা হয় আৰু ছোৱালীজনীয়ে ল'ৰাৰ দৰে থাকি ভালপোৱা হয়। ছোৱালীৰ দৰে কাপোৰ পিন্ধি ভালপোৱা হয়। প্ৰসাধন বুলিলে ছোৱালীয়ে ব্যৱহাৰ কৰা নেইলপলিছ, কাজল, লিপষ্টিক আদি ব্যৱহাৰ কৰাৰ ওপৰিও ছোৱালীৰ সাজসজ্জা পিন্ধি ছোৱালীৰ দৰে আচৰণ কৰি মনত শান্তি পায়। যেতিয়া এখন ঘৰৰ এটা ল'ৰা সন্তানে তেনে ধৰণৰ আচৰণ কৰি ভালপোৱা হয় আৰু ছোৱালী এজনীয়ে ল'ৰাৰ দৰে থাকি ভালপোৱা হয়, তেতিয়া ঘৰখনৰ পৰিয়ালৰ মাজত এক হাঁহাকাৰ অৱস্থা এটি আহি পৰে। পৰিয়ালৰ লোকসকলে প্ৰথমতে ল'ৰা বা ছোৱালীগৰাকীক গালি-গালাজ কৰি সলনি কৰিবলৈ চেষ্টা কৰে। কিন্তু ল'ৰাটো বা ছোৱালীজনীৰ মানসিকস্থিতি এনেকুৱা যে তেওঁলোকে নিজকে ছোৱালীৰ দৰে বা ল'ৰাৰ দৰে অনুভৱ কৰি ভাল পায় যদিওবা তেওঁ প্ৰকৃততে ল'ৰা হয় অথবা ছোৱালী হয়। ঘৰৰ মানুহে এনে সন্তানৰ মানসিক অৱস্থাতো কেতিয়াও বুজিব নোৱাৰে। ঘৰখনৰ বাবে বহুতো এনে সন্তান আপোন মানুহবোৰৰ বাবে অশান্তিৰ কাৰণ হৈ পৰে। কিন্তু তেনে সন্তানসকলে আপোন মানুহবোৰৰ মাজতে অসুৰক্ষিত অনুভৱ কৰিবলৈ লয়। আৰু সমাজখনৰ মাজতো এওঁলোক এলাগীৰ দৰে হৈ পৰে। এনে সন্তানসকলৰ মানসিক অৱস্থাতো যেন অসুৰক্ষিত হৈ পৰে। লাহেলাহে সেই সন্তান ডাঙৰ হ'বলৈ ধৰে কিন্তু তেওঁলোকৰ মানসিক স্থিতি তেনেধৰণৰে হৈ থাকে। তেনে অৱস্থাত তেওঁলোকৰ জীৱনলৈ নতুন নতুন প্ৰত্যাহ্বান আহি পৰে। জীৱনটোত সংগ্ৰাম আৰম্ভ হয়। তেনে মানসিকস্থিতিৰ সন্তানে অকলশৰীয়া অনুভৱ কৰাৰ লগতে অসুৰক্ষিত অনুভৱ কৰিবলৈ লয়। তেওঁলোকে মানসিক অশান্তিত ভুগে। আপোন মানুহবোৰৰ পৰা আঁতৰি থাকি তেওঁলোকে ভাল পোৱা হয়। কেতিয়াবা তেওঁলোকৰ মনলৈ জীৱনটোৰ প্ৰতি অনিহা আহিব পাৰে অথবা জীয়াই থকাৰ উৎসাহ, উদ্দীপনা নোহোৱা হ'ব পাৰে।

তেনে মানসিক স্থিতিৰ সন্তানৰ বাবে পৰিয়ালৰ লোকসকলে কি কৰা উচিত?

পৰিয়ালৰ লোকসকলে সন্তানৰ মনৰ অৱস্থাতো বুজিবলৈ যত্ন কৰিব লাগে। মনোবিজ্ঞানৰ দৃষ্টিত তেনে ধৰণৰ আচৰণ কৰিলে বুলিয়েই তেনে সন্তানসকল মানসিক ৰোগী নহয়। (আঠপৃষ্ঠাত চাওক)

# দেউতাৰ অস্তিত্বঃ সংসাৰৰ আধাৰশিলা

প্ৰেম বৈষ্ণৱ, বিহালী, বিশ্বনাথ



মানৱ জীৱনৰ অৱতৰণত মাতৃৰ ভূমিকা যদি সূৰ্যৰ পোহৰৰ দৰে প্ৰত্যক্ষ, তেন্তে পিতৃৰ অস্তিত্ব হৈছে সেই পোহৰক ধৰি ৰখা এক নিৰৱ আকাশৰ দৰে। সমাজৰ ব্যৱস্থাত পিতৃৰ ভূমিকা প্ৰায়েই এক পৰ্দাৰ আঁৰত থকা পৰিচালকৰ দৰে। তেওঁৰ ত্যাগ, মৰম আৰু প্ৰতিপালনৰ ধৰণটো অলপ সুকীয়া। এই প্ৰবন্ধৰ জৰিয়তে আমি পিতৃৰ সেই অলেখ ত্যাগ আৰু অস্তিত্বৰ গভীৰতা বিচাৰ কৰিবলৈ প্ৰয়াস কৰিছোঁ। দেউতা নামৰ শব্দটো উচ্চাৰণ কৰাৰ লগে লগে মনলৈ আহে এক নিৰাপদ ছাঁ আৰু অটল প্ৰেৰণাৰ ছবি। মানুহৰ জীৱনৰ যাত্ৰাপথত পিতৃ হৈছে এনে এক স্তম্ভ, যি কোনো প্ৰতিদানৰ আশা নকৰাকৈ জীৱনৰ সমস্ত সম্পদ সন্তানৰ নামত উছৰ্গা কৰে। তেওঁৰ এই ত্যাগৰ কাহিনী কোনো নিৰ্দিষ্ট সময় বা পৰিসৰত আৱদ্ধ নহয়, এয়া এক অবিৰত প্ৰৱাহ।

পিতৃৰ ত্যাগৰ কোনো পৰিসীমা নাই। পৰিয়ালৰ প্ৰতিটো হাঁহিৰ আঁৰত থাকে তেওঁৰ অলেখ সপোনৰ বিসৰ্জন। নিজৰ নতুন কাপোৰযোৰ কিম্বা প্ৰয়োজনীয় বস্তু এৰি, আমাৰ চকুৰ পলকতে আনন্দ বিচাৰি পোৱাটোৱেই তেওঁৰ স্বভাৱ। ৰ'দ-বৰষুণ নেওচি, ঘৰৰ পৰা বহু দূৰৈত থাকি কষ্ট কৰা প্ৰতিজন দেউতাই এটা কথাই ভাবে- তেওঁৰ সন্তানৰ ভৱিষ্যত যেন কোনো কাৰণতে আন্ধাৰত নপৰে। তেওঁৰ বাবে নিজৰ সুখবোৰ গৌণ আৰু সন্তানৰ সুখবোৰ মুখ্য। পুৱাৰ পৰা নিশালৈ চলি থকা তেওঁৰ যুঁজখনৰ প্ৰধান লক্ষ্য হৈছে সন্তানৰ সোণালী দিন নিশ্চিত কৰা। সমাজৰ বুকুত এনে বহু দেউতা আছে, যিসকলে নিজৰ ভোকৰ কথা পাহৰি সন্তানৰ মুখত অন্ন তুলি দিয়াৰ বাবে হাড়ভঙা পৰিশ্ৰম কৰে। তেওঁলোকৰ হাতৰ খহটা তলুৱাবোৰত লুকাই থাকে ঘাম আৰু তেজৰ ইতিহাস, যি ইতিহাস কেৱল তেওঁলোকৰ আত্মত্যাগৰ প্ৰমাণপত্ৰ।

পিতৃৰ ব্যক্তিত্ব কেতিয়াও আৱেগৰ ওপৰত নিৰ্ভৰশীল নহয়। তেওঁৰ প্ৰতিটো সিদ্ধান্তত থাকে এক সুচিন্তিত পৰিকল্পনা। তেওঁৰ খহটা হাতৰ স্পৰ্শই সন্তানক যি আত্মবিশ্বাস দিয়ে, সেই সাহস আন কোনো উৎসৰ পৰা আহৰণ কৰা অসম্ভৱ। দৰিদ্ৰতা হওক বা জটিল পৰিস্থিতি হওক, এজন পিতৃয়ে হাৰ নামানে। তেওঁৰ জীৱন যাত্ৰাত অজস্ৰ কাঁইট থাকে যদিও সন্তানৰ বাবে তেওঁ সেউজীয়া পথ সাজি দিয়ে। একোজন পিতৃৰ ত্যাগক জোখাৰ সামৰ্থ্য কাৰো নাই। তেওঁৰ পৰিচয় এজন ব্যক্তিৰ মাজত সীমাবদ্ধ নহয়, তেওঁ হৈছে এখন ঘৰৰ আধাৰশিলা। এটা ঘৰৰ খুটা যেনেকৈ অদৃশ্য হৈও ঘৰটোক ধৰি ৰাখে, ঠিক তেনেকৈ দেউতাই নিজৰ অস্তিত্বক বিসৰ্জন দি পৰিয়ালৰ প্ৰতিটো সদস্যক সুৰক্ষিত কৰি ৰাখে।

শৈশৱৰ দিনবোৰত দেউতাই আমাক যি সুৰক্ষা দিয়ে, সেয়া কোনো ঢালতকৈ কম নহয়। আমি যেতিয়া পদুলি মূৰত বৈ তেওঁৰ আগমনলৈ অপেক্ষা কৰো, তেতিয়া প্ৰতিটো খোজৰ শব্দই আমাক সাহস যোগায়। তেওঁৰ লগত কটোৱা সময়বোৰ আমাৰ জীৱনৰ পুজি হৈ ৰয়। কোনো ধৰণৰ অভিযোগ অবিহনে তেওঁ দায়িত্ব পালন কৰি যায়। তেওঁৰ এই ত্যাগৰ মহিমা অতুলনীয়। জীৱনৰ জটিল অংকবোৰ তেওঁ নিজৰ বাবে নহয়, আমাৰ বাবে সমাধান কৰে। তেওঁ আমাৰ সংসাৰৰ এক নীৰৱ সাধক। তেওঁৰ ত্যাগৰ কাহিনী কেৱল শব্দত বৰ্ণনা কৰা কঠিন। তেওঁৰ প্ৰতিটো কৰ্মই আমাক জীৱনৰ কঠিন বাস্তৱৰ সৈতে পৰিচয় কৰাই দিয়ে।

আমাৰ বাবে তেওঁ যি ত্যাগ কৰে, সেয়া তেওঁৰ স্বকীয় গুণ। তেওঁৰ ত্যাগৰ বাবেই আজি আমি নিজৰ ভৰিৰ ওপৰত থিয় হ'ব পৰা হৈছোঁ। কোনো ধৰণৰ প্ৰতিদানৰ আশা নকৰাকৈ তেওঁ আমাৰ বাবে ইমানবোৰ কষ্ট কৰে। সেয়েহে পিতৃৰ প্ৰতি শ্ৰদ্ধা জনোৱা আমাৰ প্ৰত্যেকৰে নৈতিক দায়িত্ব। তেওঁৰ অস্তিত্বই আমাৰ জীৱনৰ প্ৰেৰণা। আমি যিমানেই উন্নতিৰ শিখৰত উপনীত নহওঁ কিয়, আমাৰ সেই উত্থানৰ মূলতে থাকে দেউতাৰ অৰিহণা। তেওঁৰ আশীৰ্বাদৰ অবিহনে আমাৰ প্ৰতিটো জয় অসম্পূৰ্ণ। দেউতা হৈছে আমাৰ জীৱনৰ প্ৰথম নায়ক, যাৰ আদৰ্শ অনুসৰণ কৰি আমি সু-নাগৰিক হ'বলৈ শিকো। তেওঁৰ ত্যাগৰ এই বৰ্ণনা এক অনন্ত যাত্ৰা, যি কেতিয়াও শেষ নহয়। আমি কেৱল তেওঁৰ ত্যাগৰ পৰিধি বুজিবলৈ চেষ্টা কৰোঁ, কিন্তু সেই সাগৰৰ গভীৰতা জোখা সহজ নহয়। অনাগত দিনবোৰত তেওঁৰ এই ত্যাগক মনত ৰাখি আমি নিজৰ জীৱনটো আগবঢ়াই নিব লাগিব। তেওঁৰ স্মৃতি আৰু অৱদান আমাৰ বাবে পাথেয় হৈ ৰ'ব।

সময়ৰ সোঁতত মানুহৰ জীৱনৰ সমীকৰণ সলনি হয়। আমি ডাঙৰ হওঁ, নিজৰ জীৱন আৰু ব্যস্ততাত নিমগ্ন হৈ পৰোঁ। কিন্তু এই দৌৰত আমি পাহৰি যাওঁ যে, আমাৰ প্ৰতিটো নিৰাপদ খোজৰ বাবে দেউতাই নিজৰ জীৱনৰ বহুতো সোণালী সময় বিসৰ্জন দিছে। তেওঁৰ ত্যাগ অৰ্থ উপাৰ্জনৰ পৰিসৰত আৱদ্ধ নাথাকে, দেউতা হৈছে সন্তানৰ মানসিক আৰু আৱেগিক অনুভৱৰ এক বিশাল জগত। এটা শান্ত পৰিয়ালৰ আঁৰত এগৰাকী দেউতাৰ অসীম ধৈৰ্য আৰু নিঃস্বাৰ্থ আত্মত্যাগ লুকাই থাকে। তেওঁৰ মনৰ গভীৰতাত কিমান যে দুখ-কষ্টৰ কাহিনী সোমাই থাকে, সেয়া আমি অনুভৱ কৰিবলৈকো চেষ্টা নকৰোঁ।

পিতৃৰ অস্তিত্বৰ এক বিশেষ বৈশিষ্ট্য হ'ল- নিজৰ বিষাদবোৰ ঢাকি ৰাখিবলৈ তেওঁ মিছা হাঁহি এটা মুখেৰে কঢ়িয়াই লৈ ফুৰে। সন্তানৰ চকুৰ পানীৰ কাৰণ হ'ব লগা হোৱাটো এজন পিতৃৰ বাবে আটাইতকৈ ডাঙৰ পৰাজয়। সেয়ে তেওঁ শিলৰ দৰে অটল হৈ নিজৰ সকলো কষ্ট বুকুত সামৰি লয়। আমাৰ বাবে তেওঁ এক শক্তিশালী খুঁটি, যি জীৱনৰ প্ৰতিটো ঘাত-প্ৰতিঘাতত কেতিয়াও হালি নপৰে। তেওঁৰ শৰীৰৰ ক্লান্তি আৰু ভৰিৰ খোজত যে আমাৰ ভৱিষ্যতৰ সপোন সোমাই আছে, সেই কথা আমি প্ৰায়েই উপলব্ধি কৰিবলৈ পাহৰি যাওঁ। দেউতাৰ হাতৰ খহটা তলুৱাবোৰত লুকাই থাকে আমাৰ নিৰাপদ শৈশৱৰ সেই সোণালী কাহিনী, যি কাহিনী প্ৰতিটো চপৰা তেজ আৰু ঘামেৰে ৰচিত।

আমাৰ বাবে তেওঁ সমাজৰ নিয়ম-কানুন আৰু নীতিৰ সৈতে আপোচ কৰিলেও নিজৰ স্বাভিমানত কেতিয়াও আঁচোৰ পৰিবলৈ নিদিয়ে। ঘৰৰ পৰা দূৰৈৰ কৰ্মক্ষেত্ৰত তেওঁ যি

*(আঠপৃষ্ঠাত চাওক)*

# ভয়াবহ বলীয়া বান



যমুনা দুলু বৈশ্য, শুৱালকুছি

দেখিলে বলীয়া বানৰ তাণ্ডৱ
সেউজীয়া পথাৰৰ খেতি দৰা মানুহৰ আৰ্তনাদ
উহঃ সহিব নোৱাৰি,
শোকত বুকুখন সেই দুখৰ দৃশ্যবোৰে
দুচকু সেমেকি উঠে,
চাৰিওফালে কেৱল পানী...
হে বলীয়া বান !
তুমি কিয় ?
এই ৰূপ লৈ নদীৰ সোঁতত উটি
কালৰূপ ধৰা --
ক'ত মাতৃৰ কোলাৰ শিশুটিৰ
আৰ্ত-চিঞৰ - শুনিলে বুকুত খুন্দা মাৰে
কাৰোবাৰ বৃদ্ধ পিতৃক
কোবাল সোঁতে নিলেনো ক'লৈ
কোনোবাই বিচাৰি ফুৰিছে
কাৰোবাৰ একমাত্ৰ আশ্ৰয় স্থল
নিমাত গৰু, ছাগলী, হাঁহ-কুকুৰা,
উটুৱাই নিছে মৃত্যু মুখলৈ ---উহঃ
ভয় হৈছে কৃষকৰ আশাৰ
ধাননি, পথাৰৰ শস্যৰ প্ৰাপ্য--
পামনে --?
বুকুৰ ভোকৰ জুইকুৰা কিমান দিনলৈ --?
দুখ বোৰ উমি উমি জ্বলিছে।
হেৰুৱাৰ বেদনাত মনবোৰ স্তব্ধ হৈ ৰ'ল
অসমৰ ভয়াবহ বানপানীৰ কবলত
বহু পৰিয়ালৰ, গভীৰ সংকটৰে গৃহহীন হল
খাদ্য, বিশুদ্ধ খোৱা পানী, ঔষধ, কাপোৰ-কানি আদি
নিত্যপ্ৰয়োজনীয় সামগ্ৰীৰ অভাৱত
বহু কষ্টত ভুগি বিধ্বস্ত হয় কান্দোনেৰে কৰিছে পাৰ
বানপানীয়ে নিলে বহু কষ্টৰে বনোৱা ঘৰখন
বহু আশাৰ সপোনৰ মৰমৰ সংসাৰখন!
শেষ হৈ গ'ল নিয়তিৰ কবলত
প্ৰকৃতিয়ে দিয়া হৃদয়ত পোৱা নিষ্ঠুৰ আঘাত
অসহায় জনৰ মনত বহু প্ৰশ্ন --?

# মা



শচীন্দ্ৰ কুমাৰ দাস পলাশবাৰী

অতুলনীয় এক পবিত্ৰ শব্দ- 'মা',
যাৰ আঁচলৰ ছায়াত জুৰায় তপ্ত গা।
মা মানে কি?
মা মানেই বুকুৰ গভীৰত অপাৰ সাহস,
জীয়াই থকাৰ এক চিৰন্তন প্ৰেৰণা।
আগুৱাই যোৱাৰ অনাবিল উৎস মা,
জীৱন-আদৰ্শৰ এক অনন্য দিশা;
যিয়ে দেখুৱায় পোহৰৰ শুভ গতি।
মা মানেই এক নিৰাপদ আশ্ৰয়ৰ স্থল,
মা মানেই শক্তি, প্ৰাণৰ কোলাহল।
মা হ'ল শান্তিৰ এক স্নিগ্ধ চানেকী,
দয়াৰ সাগৰ, স্নেহৰ অলকানন্দা।
মা হ'ল দৰদী, হিয়াৰ একোখিলা আমঠু,
মা যে আমাৰ জীৱনৰ পৰম গুৰু।
মা আমাৰ কেতিয়াও নহয় ভীৰু,
মা হ'ল জীৱন-বাটৰ এক সুচল পথ।
মা হ'ল ভাগৰুৱা জীৱনৰ শেষ আ।য়,
মা মানেই ওঁঠৰ একোটি মিঠা হাঁহি,
মা মানেই হৃদয় জুৰোৱা সংগীতৰ ধ্বনি।
মা হ'ল জননী, মা হ'ল ধৰণী,
মা হ'ল পৃথিৱী, মা হ'ল জন্মদাত্ৰী।
মা মানেই সমগ্ৰ বিশ্বৰ সমস্ত সত্তা,
মা মানেই অভ্যস্ত স্নেহৰ আশীৰ্বাদ।
মা মানেই কৰ্মফল, মা মানেই সৃষ্টি,
মা আদি, মা অনাদি, মা প্ৰেমৰ বৃষ্টি।
মা মানেই আমাৰ অতীতৰ সোণালী স্মৃতি,
বৰ্তমানৰ সাহস আৰু ভৱিষ্যতৰ আৰাধনা।

অনুগল্প

# মায়াজাল



অবিনাশে অভিনয় কৰা ছবিখনৰ আজি প্ৰিমিয়াৰ শ্ব, যথেষ্ট সংখ্যক দৰ্শকৰ উপস্থিতি পৰিলক্ষিত হৈছে। ছবিখন এটা মুহূৰ্তৰ পৰা আগবঢ়া নাই, এটা স্ক্ৰীনত বৈ থাকিল। দৰ্শকৰ মাজত হুৰাদুৰা লাগিল, অভিনেতা অবিনাশ বয় দুৰ্ঘটনাত পতিত হৈ বৰ্তমান চিকিৎসালয়ত চিকিৎসাধীন হৈ জীৱনমৰণৰ সৈতে যুঁজি আছে।

শৈলেন কুমাৰ, মিৰ্জা

# কিছুমান সন্তানক

সন্তানৰ বাবে নিজৰ ঘৰখনেই আশ্বাসৰ স্থল। গতিকে আপোন মানুহবোৰে তেওঁলোকৰ মনৰ অৱস্থাতো বুজি লৈ তেওঁলোকক এলাগী বা অকলশৰীয়া নকৰি তেওঁলোকৰ কাষত সাহসেৰে থিয় দিব লাগে। কিয়নো আজিৰ দিনত এনেকুৱা বহুতো ঘটনা আমি দেখিবলৈ পাওঁ যে তেনে মানসিক স্থিতিৰ সন্তানে নিজৰ জীৱনটোক তুচ্ছ জ্ঞান কৰি নিজকে হেৰুৱাই পেলায়। সকলোৰে শান্তিৰে জীৱন জীয়াবৰ বাবে অধিকাৰ আছে। এই ক্ষেত্ৰত আমাৰ সমাজৰ লোকসকলৰো দায়বদ্ধতা নথকা নহয়। সমাজখনে এনে সন্তানসকলক উপলুঙা বা অকলশৰীয়া নকৰি তেওঁলোকক সাহস আৰু মনোবল যোগোৱা উচিত। গতিকে তেখেতসকলৰ ক্ষেত্ৰতো সহমৰ্মিতা দেখুওৱা উচিত। এনে ক্ষেত্ৰত সহানুভূতিতকৈ সহমৰ্মিতাৰ অতিকৈ দৰকাৰী।

# শৈশৱৰ গৰমৰ বন্ধ আৰু আজিৰ গৰমৰ বন্ধ

যোৱাখণ্ডৰ পৰা...



কানুপ্ৰিয়া ডেকা,হাউলী, বৰপেটা

শৈশৱৰ গৰমৰ বন্ধ আছিল যেন মুক্ত আকাশত উৰি ফুৰা এজাক চৰাইৰ দৰে, আৰু আজিৰ গৰমৰ বন্ধ হৈছে প্ৰযুক্তিৰ পাখি লগোৱা এক নতুন যাত্ৰা। সময় সলনি হৈছে, পৰিৱেশ সলনি হৈছে, কিন্তু গৰমৰ বন্ধৰ মূল উদ্দেশ্য-আনন্দ, বিশ্ৰাম আৰু আত্মবিকাশ-আজিও একেই আছে। এই মূল্যবোধক অটুট ৰাখিব পাৰিলেহে গৰমৰ বন্ধৰ প্ৰকৃত সৌন্দৰ্য চিৰদিন জীয়াই থাকিব। সময়ৰ সোঁতে সোঁতে মানুহৰ জীৱনশৈলী যিদৰে সলনি হৈছে, সেইদৰে সলনি হৈছে শৈশৱৰ সংজ্ঞাও। আগৰ দিনৰ শিশুসকলে প্ৰকৃতিৰ বুকুত খেলি-ধেমালি কৰি, বতাহৰ সৈতে দৌৰি, বৰষুণৰ পানীত তিতি আৰু মাটিৰ সোঁদা গোন্ধ বুকুত সাঁচি ডাঙৰ হৈছিল। আজিৰ শিশুসকলে কিন্তু বহুলাংশে চাৰিদেৱালৰ মাজত, ডিজিটেল পৰ্দাৰ সন্মুখত আৰু সময়ৰ কঠোৰ নিয়মৰ মাজত শৈশৱ অতিবাহিত কৰে। ইয়াৰ ফলত গৰমৰ বন্ধৰ আনন্দ আৰু অভিজ্ঞতাও ক্ৰমাৎ ৰূপান্তৰিত হৈছে।

আগৰ গৰমৰ বন্ধত পুৱাই উঠি বন্ধুবান্ধৱীৰ সৈতে গছৰ তলত বহি গল্প কৰা, আম বা জাম পাৰিবলৈ যোৱা, পুখুৰীৰ পাৰত বহি মাছৰ খেল চাই থকা বা সন্ধিয়া বেলি জোনাকৰ পোহৰত দৌৰি ফুৰা-এইবোৰ আছিল একেবাৰে সাধাৰণ দৃশ্য। তেতিয়া সময় যেন অলপ ধীৰে বাগৰি গৈছিল। দিনবোৰ দীঘল আছিল, আৰু প্ৰতিটো মুহূৰ্ত যেন আনন্দৰ এক নতুন দুৱাৰ মুকলি কৰি দিছিল।

আজি সেই দৃশ্য বহু ঠাইত সোঁৰৱণি হৈ পৰিছে। ব্যস্ত নগৰীয়া জীৱন, শিক্ষাৰ প্ৰতিযোগিতা আৰু প্ৰযুক্তিৰ দ্ৰুত বিস্তাৰে শিশুসকলৰ জগতখনক এক নতুন ৰূপ দিছে। বহু শিশুৱে গৰমৰ বন্ধৰ সময়ত বিভিন্ন পাঠ্যক্ৰম, অনলাইন শ্ৰেণী বা প্ৰশিক্ষণ কাৰ্যসূচীত ব্যস্ত হৈ থাকে। সৃষ্টিশীলতাৰ বিকাশৰ বাবে এইবোৰৰ প্ৰয়োজনীয়তা থাকিলেও, কেতিয়াবা ই শৈশৱৰ স্বতঃস্ফূৰ্ত আনন্দক সীমিত কৰি তোলে।

গৰমৰ বন্ধৰ প্ৰকৃত সৌন্দৰ্য লুকাই আছে স্বাধীনতা আৰু অনুসন্ধিৎসাৰ মাজত। এই সময়খিনিত শিশুসকলে নিজৰ পছন্দৰ কাম কৰিবলৈ, নতুন কিবা জানিবলৈ আৰু পৃথিৱীখনক নতুন চকুৰে চাবলৈ সুযোগ পায়। কোনোবাই কিতাপ পঢ়ি নতুন জগতৰ সৈতে পৰিচিত হয়, কোনোবাই ছবি আঁকে, কোনোবাই সংগীত শিকে, আন কোনোবাই প্ৰকৃতিৰ সৈতে সময় কটাই জীৱনৰ সূক্ষ্ম সৌন্দৰ্য অনুভৱ কৰে।

সেয়েহে আজিৰ প্ৰয়োজন হৈছে গৰমৰ বন্ধক কেৱল বিশ্ৰামৰ সময় বা কেৱল অধ্যয়নৰ সময় হিচাপে নাচাব। ইয়াক আত্মঅন্বেষণ, সৃষ্টিশীলতা আৰু মানৱীয় সম্পৰ্ক শক্তিশালী কৰাৰ এক মূল্যৱান সুযোগ হিচাপে গ্ৰহণ কৰিব লাগে। যদি শিশুসকলক মোবাইল আৰু ইণ্টাৰনেটৰ জগতৰ লগতে প্ৰকৃতি, সাহিত্য, খেল-ধেমালি আৰু পৰিয়ালৰ উষ্ণতাৰ সোঁততো বোৱাই নিয়া যায়, তেন্তে গৰমৰ বন্ধ অধিক অৰ্থপূৰ্ণ হৈ উঠিব।

শৈশৱৰ গৰমৰ বন্ধৰ স্মৃতিবোৰ বহু সময়ত মানুহৰ জীৱনৰ আটাইতকৈ উজ্জ্বল সম্পদ হৈ ৰয়। সময় পাৰ হয়, মানুহ ডাঙৰ হয়, দায়িত্ব বৃদ্ধি পায়, কিন্তু সেই গৰমৰ আবেলি, সেই আমগছৰ ছাঁ, সেই বন্ধু-বান্ধৱীৰ হাঁহি আৰু সেই নিৰ্ভাৰ দিনবোৰ স্মৃতিৰ আকাশত জোনাকী পৰুৱাৰ দৰে চিকমিকাই থাকে।

সেইবাবেই গৰমৰ বন্ধ কেৱল বিদ্যালয়ৰ পৰা লাভ কৰা এটা অৱকাশ নহয়; ই শৈশৱৰ হৃদস্পন্দন, স্মৃতিৰ ভঁৰাল আৰু জীৱনৰ এক অনন্য অধ্যায়। সময় যিমানেই সলনি নহওক কিয়, গৰমৰ বন্ধৰ সেই সৰল আনন্দ, সেই মুক্ত আকাশ আৰু সেই শৈশৱৰ সপোনবোৰ মানুহৰ মনত চিৰদিন জীয়াই থাকিব।

# দেউতাৰ অস্তিত্বঃ সংসাৰৰ

একাকীত্বৰ যুঁজ দিয়ে, সেই যুঁজত তেওঁৰ সঙ্গী হৈ পৰে সন্তানৰ ছবিখন আৰু ভৱিষ্যতৰ সপোনবোৰ। তেওঁৰ কষ্টক স্বীকাৰ কৰিবলৈ কোনো মঞ্চৰ প্ৰয়োজন নহয়, মাথোঁ প্ৰয়োজন এক নিৰ্মল কৃতজ্ঞতাৰ অনুভৱ। তেওঁৰ ত্যাগৰ কোনো প্ৰতিদান নালাগে, মাথোঁ বিচাৰে সন্তানৰ এক সন্মানজনক পৰিচয়। তেওঁৰ চৰিত্ৰৰ দৃঢ়তা আৰু ধৈৰ্যই আমাক জীৱনৰ জটিল পাঠ শিকাই থৈ যায়। আমি প্ৰতিটো প্ৰত্যাহ্বানৰ সময়ত দেউতাৰ সেই শান্ত আৰু স্থিৰ ব্যক্তিত্বক আমাৰ মানসিক শক্তি হিচাপে লৈ আগুৱাই যাব পাৰো।

জীৱনৰ অৱসৰৰ দিশে গতি কৰা দেউতাৰ চুলিৰ বগা ৰঙে তেওঁৰ অভিজ্ঞতাক প্ৰকাশ কৰে। তেওঁৰ চকুৰ কোণৰ ভাঁজবোৰত জমা হৈ থকা ক্লান্তিয়ে আমাক সোঁৰৰাই দিয়ে যে, আমি কিমানখিনি ত্যাগৰ মূল্যত আজিৰ এই অৱস্থান পাইছোঁ। তেওঁ আমাৰ জন্মদাতাই নহয়, তেওঁ হৈছে আমাৰ জীৱনৰ প্ৰথম পথপ্ৰদৰ্শক। সংসাৰৰ কোনো অংকই তেওঁৰ অৱদানৰ সৈতে তুলনা কৰিব নোৱাৰে। তেওঁৰ জীৱনৰ প্ৰতিটো দিনেই একোটা ইতিহাস, যি ইতিহাস আমাৰ বাবে জীৱনৰ দিশ নিৰ্ণয়কাৰী নক্সা। আমাৰ জীৱনৰ যাত্ৰাপথত তেওঁৰ অস্তিত্বই হৈছে সেই ধ্ৰুৱতৰা, যি আমাক আন্ধাৰৰ পৰা পোহৰৰ দিশলৈ লৈ যায়। দেউতাৰ প্ৰতি আমাৰ এই অকৃত্ৰিম শ্ৰদ্ধাই হ'ব পাৰে তেওঁৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ উপহাৰ।

আগলৈ...

## প্ৰশ্নকাকত ফাদিল হ'লেই

সাব্যস্ত হ'লে সংশ্লিষ্ট সংস্থাটোৰ বিষয়াই ৫ৰ পৰা ১০ বছৰ কাৰাবাস খটাৰ সমান্তৰালভাৱে ৰ-১০ কোটি টকাপৰ্যন্ত জৰিমনা আদায় দিবলগীয়া হ'ব পাৰে। উল্লেখ্য যে যোৱা ৩ মে'ত অনুষ্ঠিত হৈছিল চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ সৰ্বভাৰতীয় প্ৰৱেশ পৰীক্ষা 'নীট-ইউজি'। কিন্তু পৰীক্ষাৰ এসপ্তাহৰ ভিতৰতে পোহৰলৈ আহে প্ৰশ্নকাকত ফাদিলৰ ঘটনা। দেশজুৰি ইয়াক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত দায়িত্বত থকা সংস্থা নেচনেল টেষ্টিং এজেঞ্চীয়ে পৰীক্ষা বাতিল কৰিবলৈ বাধ্য হয়। ইতিমধ্যে নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰি ফলাফল ঘোষণা কৰিলেও হতাশাত ভুগি দেশৰ ভিন্ন প্ৰান্তৰ বহুকেইজন পৰীক্ষাৰ্থীয়ে আত্মহননৰ পথ গ্ৰহণ কৰে। এনে অৱস্থাত সমগ্ৰ দেশজুৰি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবী উঠে। বিশেষকৈ কংকৰোচ জনতা পাৰ্টী (চিজেপি)-এ ৰাজধানী নতুন দিল্লীকে ধৰি প্ৰান্তে প্ৰান্তে প্ৰতিবাদ তীব্ৰতৰ কৰি তুলিছে। বিগত ৩৯দিন ধৰি এই প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখিছে চিজেপিয়ে। ইয়াৰ সমান্তৰালভাৱে যন্তৰ মন্তৰত আমৰণ অনশন আৰম্ভ কৰে বিশিষ্ট পৰিৱেশকৰ্মী সোণম ৱাংচুকে।

## কেন্দ্ৰীয় ৰে'ল

গ্ৰহণ কৰিছে।" তেওঁৰ পদত্যাগৰ কোনো আনুষ্ঠানিক কাৰণ দৰ্শোৱা হোৱা নাই যদিও পঞ্জাৱ বিধানসভা নিৰ্বাচনৰ পূৰ্বে সক্ৰিয় ৰাজ্যিক ৰাজনীতিলৈ তেওঁৰ সম্ভাব্য প্ৰত্যাৱৰ্তনক লৈ সৃষ্টি হোৱা চৰ্চাৰ মাজতে এই পদক্ষেপটো পোহৰলৈ আহিছে। বিট্টুৱে ৰাজস্থানৰ পৰা ৰাজ্যসভাৰ সাংসদ হিচাপে ২০২৪ চনৰ আগষ্টৰ পৰা ২০২৬ চনৰ জুনলৈকে সেৱা আগবঢ়ায়। বিজেপিয়ে ২০২৭ চনৰ পঞ্জাৱ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি চলাই থকাৰ সময়তে তেওঁ পদত্যাগ কৰে। আগন্তুক পঞ্জাৱ বিধানসভা নিৰ্বাচনত তেওঁ প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনা আছে।

## বানত প্ৰাণ হেৰুৱা

প্ৰশাসনে তৎকালীনভাৱে এককালীন সাহায্য প্ৰদান কৰিছে। উল্লেখ্য যে শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ জিলাত হোৱা ভয়াৱহ বানৰ প্ৰকৃত কাৰণ হিচাপে উন্মোচিত হোৱা নাগালেণ্ডত ডাৱৰ বিস্ফোৰণৰ বিষয়টোক লৈ চুবুৰীয়া ৰাজ্যখনৰ সৈতে আলোচনা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিছে। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয়- বানৰ মূল কাৰণটো নাগালেণ্ডৰ ডাৱৰ বিস্ফোৰণ বা আন কিবা কাৰণত হৈছেনে নাই সেয়া এতিয়াই তৎক্ষণাত কৈ দিব পৰা নাযায়। কিন্তু নাগালেণ্ডৰ পৰা পানী নামি অহাটো নিশ্চিত। নাগালেণ্ডত ডাৱৰ বিস্ফোৰণৰ কাৰণে পানী নামি আহিছেনে, পাহাৰ কটাৰ কাৰণে পানী আহিছে। এই গোটেই বিষয়টো নাগালেণ্ড চৰকাৰৰ লগত কথা পাতিব লাগিব। নাগালেণ্ড চৰকাৰে ডাৱৰ বিস্ফোৰণ হোৱাৰ লগে লগে আমাক জনাইছিল যে এটা ডাঙৰ ডাৱৰ বিস্ফোৰণ হৈছে, গতিকে নামনিত আপোনালোক সাবধান হওক। কিন্তু ইয়াৰ বাবে এক-ডেৰ ঘণ্টা সময়হে পোৱা গৈছিল। ইমান কম সময়ৰ ভিতৰত জিলাকেইখনত সতৰ্কতা ল'ব পৰা নগ'ল।

## অনশন প্ৰত্যাহাৰ কৰিবলৈ

যুৱতীসকলৰ স্বাৰ্থ সুৰক্ষিত নহ'লে তেওঁ অনিৰ্দিষ্টকালৰ বাবে অনশন চলাই যাব বুলি চিঠিত স্পষ্ট কৰি দিয়ে। ক'কৰোছ জনতা পাৰ্টীয়ে (চিজেপি) বুধবাৰে কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডাক আলোচনাৰ বাবে তেওঁৰ ঘৰত মিলিত হ'বলৈ অমান্তি হৈছে। এই সন্দৰ্ভত তেওঁলোকে কয় যে ছাত্ৰ-ছাত্ৰী আৰু প্ৰতিবাদকাৰীসকলে উত্থাপন কৰা দাবীসমূহৰ সন্দৰ্ভত আলোচনা কৰিবলৈ চিজেপিৰ কৰ্মী সৌৰভ দাসে জোৰ দি কয় যে যিকোনো ধৰণৰ আলোচনা হ'ব লাগিব যন্তৰ-মন্তৰৰ 'জনতাৰ আদালত'ত। দাসে বিজেপি নেতা জেপি নাড্ডাৰ ঘৰলৈ আলোচনাৰ বাবে জনোৱা আমন্ত্ৰণক প্ৰত্যাখ্যান কৰি কয়-'তেওঁ আমাক পুনৰ তেওঁৰ ঘৰলৈ আমন্ত্ৰণ জনাইছে। আমি পোনছাটেই প্ৰত্যাখ্যান কৰিছোঁ। ইয়াত ৰাইজৰ আদালত অনুষ্ঠিত হৈছে। মন্ত্ৰীসকল ৰাইজৰ মাজলৈ অহা উচিত।' তেওঁ পুনৰ কয়- 'অৱশ্যে শিক্ষিত ব্যক্তি হিচাপে আমি ভাবিছোঁ যে যদিহে এইক্ষেত্ৰত কিবা নিৰাপত্তাজনিত আশংকা থাকে, তেন্তে আমি যন্তৰ- মন্তৰৰ ওচৰৰ কোনোবা নিৰপেক্ষ ঠাইত আলোচনাত বহিব পাৰোঁ। এই সন্দৰ্ভত এতিয়াও আমি তেওঁলোকৰ পৰা একো জানিব পৰা নাই।' ইফালে, সোণম ৱাংচুকৰ শাৰীৰিক অৱস্থাৰ খবৰ ল'বলৈ মঙলবাৰে নিশা গুৰুগ্ৰামৰ হাস্পতাললৈ যায় কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডা আৰু জিতেন্দ্ৰ সিং। আনহাতে, চিজেপিৰ তৰফৰ পৰা বুধবাৰে অনশনৰত সমাজকৰ্মী সোণম ৱাংচুকৰ স্বাস্থ্যক লৈ উদ্বেগ প্ৰকাশ কৰি তেওঁক অনশন প্ৰত্যাহাৰৰ অনুৰোধ জনায়।

## প্ৰশ্নকাকত ফাদিলৰ বিচাৰৰ বাবে

তেওঁ লিখিছে- 'আমাৰ যুৱক-যুৱতীসকলক ভালে ৰখা আৰু তেওঁলোকৰ সুন্দৰ ভৱিষ্যৎ নিশ্চিত কৰাই আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ। আন একোৱেই ইয়াতকৈ ডাঙৰ নহয়।' ইয়াৰ পিছতে প্ৰশ্নকাকত বিতৰ্কত ন্যায় বিচাৰৰ আশ্বাস দিয়ে প্ৰধানমন্ত্ৰী মোদীয়ে। লগতে প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰে যে যুৱক-যুৱতীসকলৰ ভৱিষ্যতক লৈ যিসকলে হেতালি খেলাৰ চেষ্টা কৰিব তেওঁলোকক কোনো প্ৰকাৰে ৰেহাই দিয়া নহ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে জনায় যে পঢ়ুৱৈসকলৰ স্বাৰ্থৰ কথা সকলো সময়তে গুৰুত্বসহকাৰে বিবেচনা কৰে তেওঁৰ চৰকাৰখনে। প্ৰশ্নকাকত ফাদিল কাণ্ডত ন্যায় বিচাৰৰ বাবে ফাষ্টট্ৰেক আদালত গঠনো সেই ধাৰাবাহিক পদক্ষেপৰেই অংগ বুলি ঘোষণা কৰে প্ৰধানমন্ত্ৰীয়ে। ইফালে কেন্দ্ৰীয় চৰকাৰে চিজেপিৰ প্ৰতিনিধিসকলক পুনৰ আলোচনালৈ আমন্ত্ৰণ জনাইছে। কেন্দ্ৰৰ তৰফৰ পৰা মন্ত্ৰী জিতেন্দ্ৰ সিঙে বৃহস্পতিবাৰে জনায় যে যিকোনো সময়তে তেওঁলোকে আলোচনাত বহিবলৈ প্ৰস্তুত। কেন্দ্ৰৰ প্ৰতিনিধি হিচাপে তাত জিতেন্দ্ৰ সিঙৰ উপৰি উপস্থিত থাকিব আন এগৰাকী মন্ত্ৰী জে পি নাড্ডা। মন্ত্ৰী জে পি নাড্ডাৰ ঘৰ অথবা কাৰ্যালয়ত আলোচনা হ'ব পাৰে। আলোচনাৰ মাজেৰে সমস্যাটো সমাধানৰ আবেদন জনায় মন্ত্ৰীগৰাকীয়ে। কিন্তু চিজেপিয়ে এই আমন্ত্ৰণ প্ৰত্যাখ্যান কৰা বুলি খবৰ ওলাইছে। তেওঁলোকে নিৰপেক্ষ স্থানত আলোচনা বিচাৰে। জিতেন্দ্ৰ সিঙে মন্তব্য কৰে যে ইয়াৰ বাবে বুধবাৰে বিয়লিৰ পৰা মুঠ চাৰিবাৰ বিক্ষোভকাৰীসকলৰ প্ৰতিনিধিসকলক আলোচনাৰ বাবে আমন্ত্ৰণ জনোৱা হ'ল। চৰকাৰে শিক্ষাৰ্থীসকলৰ হিতাকাংক্ষী হিচাপে তেওঁলোকৰ দাবীসমূহ গুৰুত্বসহকাৰে লৈছে। কিন্তু মন্ত্ৰীগৰাকীয়ে কয়, 'চৰকাৰে চাৰিবাৰ আনুষ্ঠানিকভাৱে বিক্ষোভকাৰীসকলক আলোচনাত বহাৰ প্ৰস্তাৱ দিছে। যুৱ সমাজৰ ওচৰত আমাৰ বাৰ্তা যে সকলো বিষয়ক লৈ চৰকাৰে আপোনালোকৰ সুবিধা মতে যিকোনো সময়তে আলোচনাত বহিবলৈ প্ৰস্তুত। আমি আপোনালোকক বিনীতভাৱে অনুৰোধ কৰিছোঁ আহক আলোচনাত বহক। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাৰ ঘৰত অথবা কাৰ্যালয়ত হ'ব পাৰে বৈঠক। মন্ত্ৰী জে পি নাড্ডা আৰু আমি তাত উপস্থিত থাকিম। আলোচনাৰ মাধ্যমেৰে ধীৰে ধীৰে আমি এটা সমাধানৰ দিশে আগবাঢ়িম।' ইফালে চৰকাৰে বাৰে বাৰে আমন্ত্ৰণ জনালেও নাড্ডাৰ ঘৰ অথবা কাৰ্যালয়ত আলোচনাত বহিবলৈ ৰাজী নহয় চিজেপি।

## যুক্তৰাজ্যত অসম সাহিত্য

উল্লেখ কৰাৰ লগতে বুৰঞ্জী শিক্ষাক বৰ্তমানৰ সৈতে সংযোগ ঘটাই ভৱিষ্যৎ নিৰ্মাণৰ আহ্বান জনায়। অনুষ্ঠানত প্ৰধান উপদেষ্টা লাহৰী বৰঠাকুৰে ২০২৬ বৰ্ষৰ স্মৃতিগ্ৰন্থ "প্ৰবাসী দিগন্ত, মৰমী অসম- যুক্তৰাজ্যৰ চুকে-কোণে" উন্মোচন কৰে। তেওঁ কনমানিসকলক অসমীয়া ভাষাৰ সৈতে জড়িত কৰি ৰাখিবলৈ সাধুকথা আৰু লোক-সংস্কৃতিৰ চৰ্চাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত ১৪ বছৰীয়া কৰ্নভ বিশ্বাসে শিশু-কিশোৰসকলৰ বাবে নিজে প্ৰস্তুত কৰা অসমীয়া ভাষা শিক্ষাৰ "ভাষাবাদী" নামৰ এপটো প্ৰদৰ্শন কৰে। অধিবেশনত তিনিটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গৃহীত হয়। সেই অনুসৰি অসমৰ সকলো শিক্ষানুষ্ঠানত ৪ বছৰৰ পৰা ৰূ বছৰ বয়সলৈ অসমীয়া ভাষা বাধ্যতামূলক কৰাৰ আহ্বান জনোৱা হয়। লগতে শিক্ষক সংকট থকা অঞ্চলত চৰকাৰী অনুমোদিত ডিজিটেল মাধ্যমৰ জৰিয়তে অসমীয়া শিক্ষা প্ৰদান আৰু অসমত চৰকাৰী-বেচৰকাৰী চাকৰিত নিযুক্তিৰ ক্ষেত্ৰত অসমীয়া ক'ব, পঢ়িব আৰু বুজিব পৰাৰ যোগ্যতা বাধ্যতামূলক কৰাৰ দাবী উত্থাপন কৰা হয়। ইয়াৰোপৰি এই অনুষ্ঠনতে কবিতা কৰ্মশালা, সাধাৰণ জ্ঞান, প্ৰতিযোগিতা আৰু এক মনোমোহা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ভূপেন হাজৰিকাৰ গীত, লোকগীত, আধুনিক সংগীত, নৃত্য আৰু বাদ্য পৰিবেশনে অনুষ্ঠানক অধিক বৰ্ণাঢ্য কৰি তোলে। শলাগৰ শৰাইৰ পাছত "অ' মোৰ আপোনাৰ দেশ" সমবেত সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে আৰু উপস্থিত সকলোৱে অসমীয়া ভোজৰ সোৱাদ গ্ৰহণ কৰে।

## ৫ বছৰত ৰাজ্যত ১,৮২০খন

প্ৰদান কৰি থকা হৈছে। ৰাজ্য চৰকাৰৰ আবকাৰী বিভাগৰ মন্ত্ৰী অতুল বৰাই সদনত সদৰী কৰা অনুসৰি, ২০১৬ চনৰ ১ এপ্ৰিলৰ পৰা ২০২১ চনৰ ৩১ মাৰ্চলৈকে ৰাজ্যত মুঠ ৬৮৯খন সুৰাৰ দোকানৰ অনুজ্ঞা-পত্ৰ আছিল। ইয়াৰ সৰ্বাধিক আছিল সুৰাৰ বিপণী গোলাঘাট জিলাত আছিল। জিলাখনত মুঠ ১৩৩খন সুৰাৰ বিপণীৰ বিপৰীতে শিৱসাগৰ জিলাত ১২৫খন সুৰাৰ বিপণীৰে দ্বিতীয় স্থানত আছিল। ইয়াৰ পিছত ডিব্ৰুগড়ত ১০০খন, লখিমপুৰত ৪৯খন, কামৰূপ মহানগৰত ৪১খন অনুজ্ঞা-পত্ৰ থকা সুৰাৰ বিপণী আছিল। এই সময়ছোৱাত বজালী জিলাত ১৩খন, বাক্সা জিলাত ৬খন, বৰপেটা জিলাত ১১খন, বিশ্বনাথ জিলাত ১৩খন, বঙাইগাঁও জিলাত ৪খন, কাছাৰত ৭খন, চৰাইদেউত ৩খন, চিৰাঙত ৯খন, দৰঙত ২খন, ধেমাজিত ৮খন, ধুবুৰীত ৩খন, ডিমা হাছাওত এখন, গোৱালপাৰাত ৭খন, হাইলাকান্দিত ২২খন, হোজাইত ৪খন, যোৰহাটত ১৪খন, কামৰূপত ৭খন, কাৰ্বি আংলঙত ১৪খন, কোকৰাঝাৰত ৪খন, মৰিগাঁৱত ৪খন, নগাঁৱত ১৪খন, নলবাৰীত ২৮খন, শোণিতপুৰত ৯খন, তিনিচুকীয়াত ১৯খন, ওদালগুৰিত ৬খন আৰু পশ্চিম কাৰ্বি আংলং জিলাত ৯খন অনুজ্ঞা-পত্ৰ থকা সুৰাৰ বিপণী আছিল। কিন্তু ইয়াৰ পিছত ২০২১ চনৰ ১ এপ্ৰিলৰপৰা ২০২৬ চনৰ ১০ মে'লৈ মাত্ৰ পাঁচ বছৰতে ৰাজ্য চৰকাৰে নতুনকৈ ১, ৮২০খন সুৰাৰ বিপণীৰ বাবে অনুজ্ঞা-পত্ৰ প্ৰদান কৰে। ৫ বছৰত সুৰাৰ বিপণীৰ বাবে সৰ্বাধিক অনুজ্ঞা-পত্ৰ লাভ কৰে কামৰূপ মহানগৰ জিলাই। জিলাখনত নতুনকৈ ২৩৬খন সুৰাৰ বিপণী খোলা হয়। ইয়াৰ পিছত সৰ্বাধিক অনুজ্ঞা-পত্ৰ পোৱা জিলাকেইখন হ'ল- লখিমপুৰ জিলা ১৫৭খন, গোলাঘাট জিলা ১৪৭খন, শিৱসাগৰ জিলা ১৩১খন, ডিব্ৰুগড় জিলা ৯৪খন আৰু ধেমাজি জিলাই ৭১খন সুৰাৰ বিপণীৰ বাবে অনুজ্ঞা-পত্ৰ লাভ কৰে। সদনত মন্ত্ৰী অতুল বৰাই সদৰী কৰা তথ্য অনুসৰি, ৫ বছৰত কাছাৰত ৬৪, কামৰূপত ৬৯, কাৰ্বি আংলঙত ৬৭, ধুবুৰীত ৬২, শোণিতপুৰত ৬২, নগাঁৱত ৫৭, বাক্সাত ৫৪, দৰঙত ৪৬, চিৰাঙত ৪৫, চৰাইদেউত ৪৫, যোৰহাটত ৪৩, কোকৰাঝাৰত ৪১, মৰিগাঁৱত ৩৩, তামুলপুৰত ৩২, বঙাইগাঁৱত ২৫, গোৱালপাৰাত ২৫, বিশ্বনাথত ২৩, হাইলাকান্দিত ১৭, বৰপেটাত ১৬খন, বজালীত ১৪, পশ্চিম কাৰ্বি আংলঙত ১০, ওদালগুৰিত ৯, ডিমা হাছাওত ৬, দক্ষিণ শালমাৰাত ৫ আৰু শ্ৰীভূমি জিলাত ৫খন নতুন সুৰাৰ বিপণীৰ অনুজ্ঞা-পত্ৰ প্ৰদান কৰা হৈছে।

# ফোনযোগে অসমৰ বান

আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে উজনি অসমৰ তিনিখন জিলা ক্ৰমে শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ। ৰাজ্যত এই ভয়াৱহ বান পৰিস্থিতিৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শনিবাৰে অসমৰ বান পৰিস্থিতি সন্দৰ্ভত সবিশেষ বুজ লয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে টেলিফোনিক বাৰ্তালাপত মিলিত হৈ অসমৰ ভয়াৱহ বান পৰিস্থিতিৰ বুজ লয় প্ৰধানমন্ত্ৰীগৰাকীয়ে। ইফালে প্ৰধানমন্ত্ৰীগৰাকীয়ে অসমৰ বান পৰিস্থিতিৰ বুজ লোৱা প্ৰসংগ সামাজিক মাধ্যমযোগে সদৰী কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে 'অসমৰ প্ৰতিটো বিষয় লৈ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়া সদায় সক্ৰিয় আৰু সচেতন। কিছু সময় পূৰ্বে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই টেলিফোনযোগে অসমৰ বান পৰিস্থিতিৰ বুজ লয়। বানৰ ফলত হোৱা ক্ষয়-ক্ষতি, চলি থকা উদ্ধাৰ আৰু সাহায্য অভিযানৰ লগতে দুৰ্যোগ সম্পৰ্কীয় প্ৰত্যাহ্বানসমূহৰ বিষয়ে তেখেতে বিস্তৃতভাৱে আমাৰ পৰা খতিয়ান লয়। মুখ্যমন্ত্ৰীয়ে লগতে কয়, "মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এই দুৰ্যোগত প্ৰাণ হেৰুওৱা লোকসকলৰ লগতে আপোনজন আৰু সম্পত্তি হেৰুওৱাসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰে। তেখেতে আশ্বস্ত কৰে যে এই সংকটক ভাৰত চৰকাৰে সৰ্বোচ্চ অগ্ৰাধিকাৰ প্ৰদানেৰে বিবেচনা কৰিছে। উদ্ধাৰ, সাহাৰ্য, পুনৰ্বাসন কাৰ্যত কেন্দ্ৰীয় চৰকাৰে যথাসম্ভৱ সকলোধৰণৰ সহায় আগবঢ়াই যাব বুলিও তেখেতে অভয় প্ৰদান কৰে।" প্ৰধানমন্ত্ৰীৰ সৈতে বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ, বন্যাৰ্তৰ উদ্ধাৰ, সাহাৰ্য আৰু পুনৰ্বাসন কাৰ্যৰ অগ্ৰগতিৰ লগতে বানপীড়িত প্ৰতিটো পৰিয়ালৰ কাষত থাকিবলৈ ৰাজ্য চৰকাৰৰ অধীনত চলি থকা নিৰন্তৰ প্ৰচেষ্টাৰ বিষয়ে অৱগত কৰাৰ কথা জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লগতে কয় যে এই কঠিন সময়ত অসমৰ জনসাধাৰণৰ প্ৰতি আগবঢ়োৱা সহমৰ্মিতা, আশ্বাস আৰু দৃঢ় সমৰ্থনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওচৰত অসমৰ জনসাধাৰণৰ হৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

# গোলাঘাটৰ বান-আশ্ৰয়

বানত জনসাধাৰণে সম্মুখীন হোৱা কষ্টৰ কথা উল্লেখ কৰি কয় যে এই বানত খেতিপথাৰ, পশুধন ব্যাপকভাৱে প্ৰভাৱিত হোৱাৰ লগতে বহু পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। জনসাধাৰণক পৰ্যাপ্ত সহায় আগবঢ়োৱাৰ বাবে চৰকাৰে প্ৰচেষ্টা হাতত লৈছে। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ক্ষতিগ্ৰস্ত ৰাইজক সকলোধৰণৰ সহায় কৰা হ'ব। বৰ্তমানলৈকে এই বানত ৪০জন লোকৰ মৃত্যু হৈছে আৰু ৭০-৮০জন লোক সন্ধানহীন হৈ আছে। আনহাতে, কমাৰবন্ধা অঞ্চলত ৰে'ল বিভাগে নিৰ্মাণ কৰা এখন দলং সৰু হোৱা বাবে পানী ওলাই যাব পৰা নাই। এই বিষয়টোও ৰে'ল বিভাগৰ সৈতে আলোচনা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি টেলিফোনযোগে তেওঁৰ পৰা অসমৰ শেহতীয়া বান পৰিস্থিতিৰ বুজ লৈছে। উল্লেখ্য যে ৰাজ্যৰ শেহতীয়া বানৰ পৰিস্থিতি বুজ লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° শৰ্মাই বুধবাৰে চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাৰ বিভিন্ন অঞ্চল তথা বান সাহায্য শিবিৰ পৰিদৰ্শন কৰিছিল। মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শন কালত তেওঁক সংগ দিয়ে মন্ত্ৰী অতুল বৰা আৰু অজন্তা নেওগে।

# টেলিফোনযোগে অসমৰ

১০ জুলাইলৈ আন্তঃ মন্ত্ৰালয় দলে পৰিদৰ্শন কৰিছে অসমৰ বন্যাক্ৰান্ত এলেকা। টেলিফোনিক বাৰ্তালাপৰ সময়ছোৱাতে ভয়ংকৰ বানত হোৱা ক্ষয়-ক্ষতিৰ বিস্তৃত মূল্যায়ন কৰাৰ বাবে শীঘ্ৰে অসমলৈ এটা আন্তঃমন্ত্ৰালয় দল প্ৰেৰণ কৰা হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে মুখ্যমন্ত্ৰী ড° শৰ্মাক জানিবলৈ দিছিল। সংবাদ মাধ্যমৰ আগত এই কথা সদৰী কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ইতিপূৰ্বে কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে টেলিফোনযোগে মোৰ পৰা অসমৰ শেহতীয়া বান পৰিস্থিতিৰ বুজ লৈছে। অসমত উদ্ভৱ হোৱা অভূতপূৰ্ব বান পৰিস্থিতিৰ প্ৰেক্ষাপটত তেওঁ জনাইছে-ৰাজ্যত হোৱা ক্ষয়-ক্ষতিৰ বিস্তৃত মূল্যায়ন কৰিবলৈ আৰু পুনৰ্বাসন তথা পুনঃনিৰ্মাণ প্ৰক্ৰিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰয়োজনীয় সহায় সম্পৰ্কে পৰ্যালোচনা কৰাৰ উদ্দেশ্যে শীঘ্ৰে এক কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ৰ বিষয়াৰ দ্বাৰা গঠিত এটা দল অসমত আহি উপস্থিত হ'ব। ডাৱৰ বিস্ফোৰণৰ ফলত উজনিত সংঘটিত আকস্মিক বানে আমাৰ বহু লোকৰ জীৱন আৰু জীৱিকাত গভীৰ প্ৰভাৱ পেলাইছে। এই কঠিন সময়ত অসমৰ জনসাধাৰণৰ কাষত দৃঢ়ভাৱে থিয় দিয়াৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

# অৱশেষত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী

নৰেন্দ্ৰ মোদীলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীয়ে। পদত্যাগৰ কথা ঘোষণা কৰি সামাজিক মাধ্যমত এক আৱেগিক পোষ্ট শ্বেয়াৰ কৰে ধৰ্মেন্দ্ৰ প্ৰধানে। তেওঁ লিখে, ১০ দিনৰ ঘটনাক্ৰমে তেওঁক গভীৰভাৱে 'দুখ' দিছে আৰু এই বিষয়টো 'ব্যক্তিগত মান-মৰ্যাদাৰ বিষয় নহয়।' 'দেশদ্ৰোহী শক্তিয়ে' পৰিস্থিতিৰ সুবিধা লোৱাটো তেওঁ নিবিচাৰে বুলি উল্লেখ কৰি প্ৰধানে কয় যে তেওঁ নিশ্চিত কৰিবলৈ বিচাৰে যাতে 'দেশৰ একতা অটুট থাকক', 'এজনো শিক্ষাৰ্থীৰ ভৱিষ্যৎ আইনী জটিলতাত জড়িত নহওক' আৰু ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ সময় অধ্যয়ন তথা তেওঁলোকৰ কেৰিয়াৰ গঠনত উছৰ্গা কৰক। সদ্য পদত্যাগী কেন্দ্ৰীয় শিক্ষা মন্ত্ৰীজনে আৰু কয়,'মনতে এই সকলো কথা বিবেচনা কৰি মই মোৰ পদত্যাগ-পত্ৰ মাননীয় প্ৰধান মন্ত্ৰীলৈ প্ৰেৰণ কৰিলোঁ।' লগতে তেওঁ আৰু লিখে যে, "শিক্ষাৰ সংস্কাৰ আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ বাবে মই যোৱা চাৰিটা দশক উছৰ্গা কৰিছোঁ। বিগত ৩ মে'ত নীট পৰীক্ষাত যি অনিয়ম হৈছিল, তাৰ দায়িত্ব মই প্ৰথম দিনাৰ পৰাই লৈ আহিছোঁ। যন্ত্ৰৰ মন্ত্ৰৰ আৰু সমগ্ৰ দেশজুৰি সৃষ্টি হোৱা পৰিস্থিতিৰ সুযোগ যাতে কোনো দেশবিৰোধী শক্তিয়ে ল'ব নোৱাৰে আৰু কোনো পৰীক্ষাৰ্থী যাতে আইনী জটিলতাত নপৰে, সেই কথা বিবেচনা কৰিয়েই মই পদত্যাগৰ সিদ্ধান্ত ল'লোঁ।" মই দেশৰ যুৱপ্ৰজন্মৰ আকাংক্ষা, ভাবনা আৰু তেওঁলোকৰ ন্যায়সংগত প্ৰত্যাশাক গভীৰ সন্মান জনাওঁ। ভাৰতৰ যুৱপ্ৰজন্মৰ সপোনসমূহ বাস্তৱায়িত কৰাটো আমাৰ সকলোৰে ৰাজনৈতিক তথা সামাজিক জীৱনৰ নৈতিক সংকল্প হৈ আহিছে। শ্ৰদ্ধেয় প্ৰধানমন্ত্ৰীদেৱৰ দূৰদৰ্শী নেতৃত্বত ৰাষ্ট্ৰৰ সেৱা কৰাৰ যি সুযোগ মই লাভ কৰিলোঁ, তাৰ বাবে মই প্ৰধানমন্ত্ৰীদেৱক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁ লগতে উল্লেখ কৰে যে ২১ জুনত নীট পৰীক্ষা পুনৰ শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰা হয় আৰু ১৬ জুলাইত ফলাফল ঘোষণা কৰা হয়। কিন্তু এই সময়ছোৱাতো বহু ছাত্ৰ-ছাত্ৰীক বিপথে পৰিচালিত কৰিবলৈ দায়িত্বশীল পদত থকা ব্যক্তিসকলে বাধাৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল, যাৰ বাবে মোৰ মন অত্যন্ত ব্যথিত হৈছিল। উল্লেখ্য যে 'ক'কৰোচ জনতা পাৰ্টী' (CJP)য়ে স্পষ্ট কৰি দিছিল যে শিক্ষামন্ত্ৰীৰ পদত্যাগ অবিহনে তেওঁলোকে আন্দোলন প্ৰত্যাহাৰ নকৰে আৰু এই বিষয়ত কোনো বুজাবুজিলৈ নাহে। চৰকাৰৰ সৈতে চিজেপিৰ প্ৰতিনিধিৰ বৈঠক অনুষ্ঠিত হৈছিল যদিও আন্দোলনকাৰীসকল নিজৰ দাবীত অটল আছিল। শনিবাৰে বিয়লি তৃতীয়খন বৈঠক অনুষ্ঠিত হোৱাৰ কথা আছিল, কিন্তু তাৰ প্ৰায় কিছু সময় পূৰ্বে ধৰ্মেন্দ্ৰ প্ৰধানে নিজৰ পদত্যাগ পত্ৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হাতত অৰ্পণ কৰে। ইফালে ২৬ দিনীয়া অনশনৰ অন্ত পেলোৱা সোণম ৱাংচুক, চিজেপি আৰু বিৰোধী কংগ্ৰেছেও প্ৰধানৰ পদত্যাগক আদৰণি জনাই গণতন্ত্ৰৰ জয় বুলি অভিহিত কৰিছে।

# কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীক

সংবিধানৰ ৭৫ নং অনুচ্ছেদৰ দফা (২) ৰ অধীনত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ পৰা ধৰ্মেন্দ্ৰ প্ৰধানে কৰা পদত্যাগ পত্ৰ গ্ৰহণ কৰে। তদুপৰি প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি ৰাষ্ট্ৰপতিয়ে মন্ত্ৰী প্ৰহ্লাদ যোশীক তেওঁৰ বৰ্তমানৰ দপ্তৰৰ উপৰিও শিক্ষা মন্ত্ৰালয়ৰ দায়িত্ব নিযুক্তি দিয়ে। ৰাষ্ট্ৰপতি ভৱনে লগতে কয়, লোকসভাৰ সাংসদ প্ৰহ্লাদ যোশীয়ে গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ আৰু নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰীৰ দায়িত্বত আছে। পূৰ্বে তেওঁ কয়লা, খনি আৰু সংসদীয় পৰিক্ৰমা মন্ত্ৰী আছিল। ধৰ্মেন্দ্ৰ প্ৰধানে ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থত আৰু পৰীক্ষাৰ অনিয়মক লৈ চলি থকা প্ৰতিবাদৰ বাবে যাতে 'ৰাষ্ট্ৰ বিৰোধী শক্তি'ৰ দ্বাৰা প্ৰভাৱিত নহয় তাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হাতত তেওঁ পদত্যাগ পত্ৰ দাখিল কৰে।

# নাগালেণ্ডৰ হোৱা অভাৱনীয়

বৰষুণৰ সলনি ৫১.৩ মিলিলিটাৰ, মুককচাঙত ৪০.৩ শতাংশৰ সলনি ২৩৮ মিলিলিটাৰ বৰষুণ হৈছে। একেদৰে ৰাখাত এই সময়ছোৱাত হোৱা ৩৮ মিলিলিটাৰ বৰষুণৰ সলনি ৬৬.৫ মিলিলিটাৰ বৰষুণ হৈছিল। বানৰ দুৰ্দশাৰ অৱস্থা বিৱৰি মুখ্যমন্ত্ৰীয়ে ইয়াকো উল্লেখ কৰে যে চৰাইদেউ জিলাৰ প্ৰতিখন গাঁৱলৈ বা প্ৰতিটো অঞ্চললৈকে সাহায্য প্ৰেৰণ কৰা হৈছে কিন্তু শিৱসাগৰ জিলাৰ নাজিৰা বিধানসভা সমষ্টিৰ ৩৩ শতাংশ অঞ্চলত এতিয়াও আমি যাব পৰা নাই। তাৰ মূল কাৰণটো হ'ল- যদিও পানী শুকাইছে, সমগ্ৰ পথছোৱা বোকা আৰু পলসে পুতি পেলাইছে। প্ৰশাসনে কোনোপ্ৰকাৰে এই গাঁৱলৈ যাব পৰা নাই আৰু সেই গাঁৱৰ লোকসকল এতিয়াও আনৰ সৈতে যোগাযোগহীন হৈ আছে। যদিও পানী হ্ৰাস পাইছে, গাঁওবাসীয়ে এতিয়াও গাঁৱৰ পৰা ওলাই আহিব পৰা নাই। আনহাতে শিৱসাগৰ বিধানসভা সমষ্টিত ২০ শতাংশ লোকৰ মাজলৈ এতিয়ালৈকে আমি যাব পৰা নাই। নাজিৰা আৰু শিৱসাগৰৰ এই অঞ্চলসমূহ প্ৰশাসনে চুব নোৱাৰাটো যথেষ্ট চিন্তাৰ কাৰণ হৈছে। অৱশ্যে প্ৰচেষ্টা অব্যহত আছে, সেনা বাহিনীৰ সৈতে ইয়াৰ বাবে যোগাযোগ কৰা হৈছে। ইয়াৰ বিপৰীতে মাহমৰা, সোণাৰি আৰু ডিমৌ সমষ্টিৰ প্ৰায় সকলোবিলাক গাঁৱলৈ প্ৰশাসন যাবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয়- পৰিস্থিতি এতিয়াও জটিল হৈ আছে। ইফালে শিৱসাগৰ আৰু চৰাইদেউ জিলাত পৰ্যাপ্ত খাদ্য নথকাৰ বাবে তিনিচুকীয়া, ডিব্ৰুগড় আৰু কামৰূপ মহানগৰ জিলাৰ পৰা সাহায্য প্ৰেৰণ কৰি থকা হৈছে। মুখ্যমন্ত্ৰীয়ে ইয়াকো উল্লেখ কৰে যে এই বানত যথেষ্ট পৰিমাণে মানুহৰ ঘৰৰ ক্ষতি হৈছে, পশুধন-হাঁহ, কুকুৰা, ছাগলী, গৰুৰ ক্ষতি হৈছে তথা মৃত্যুমুখত পৰিছে। আনকি পুখুৰীসমূহৰো বিস্তৰ ক্ষতি হৈছে। কৃষিৰো বিস্তৰ ক্ষতি হৈছে। গাঁওবাসীয়ে কঠীয়া পৰাৰ সময়তে অহা এই বানৰ ফলত কঠীয়াসমূহ উটি গৈছে। আনকি স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ কিতাপ-পত্ৰৰ লগতে তেওঁলোকৰ প্ৰমাণ-পত্ৰসমূহ, ঘৰৰ লাগতিয়াল নথি-পত্ৰসমূহ নষ্ট হৈছে আৰু ঘৰৰ বাচন-বৰ্তনৰ পৰা সাজ-পোছাককৈ নষ্ট হৈছে যাৰ বাবে বানাক্ৰান্তই অবৰ্ণনীয় কষ্টৰ সন্মুখীন হৈছে। মুখ্যমন্ত্ৰীয়ে কয়- বানাক্ৰান্ত অঞ্চলত উদ্ধাৰ আৰু সাহায্য অভিযান চলি আছে। এতিয়াও ক্ষয়-ক্ষতিৰ পৰিমাণ উদ্ধাৰ হোৱা নাই। অহা তিনিদিনৰ পিছত ৰাজ্যৰ কৃষি, পশুপালন আৰু স্বাস্থ্যমন্ত্ৰীয়ে বিভাগীয় দল এই জিলাকেইখনলৈ যাব আৰু ক্ষয়-ক্ষতিৰ বুজ ল'ব। মুখ্যমন্ত্ৰীয়ে পুনৰ কয় যে দুৰ্যোগৰ এই সময়ত বহুজনে সাহায্য প্ৰদানৰ বাবে যোগাযোগত থকাৰ লগতে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈও বৰঙণি আগবঢ়াইছে। আনকি বহু লোকে বানাক্ৰান্তৰ অঞ্চললৈ গৈও ৰাইজক সহায়ৰ হাত আগবঢ়াইছে। বহু ব্যক্তিয়ে মোৰ সৈতে যোগাযোগ কৰি বানাক্ৰান্ত অঞ্চলত কি সামগ্ৰীৰ প্ৰয়োজন আছে তাক জানিব বিচাৰি আছে। আজিৰ সময়ত আটাইতকৈ প্ৰয়োজনীয় সামগ্ৰী হৈছে কাপোৰ-কানিৰ। বানাক্ৰান্তৰ কাপোৰ নষ্ট হোৱাৰ ফলত যথেষ্ট অসুবিধা হৈছে। চৰকাৰে বানপীড়িতক কাপোৰ সাহায্য প্ৰদান নকৰে। ইয়াৰ পৰিবৰ্তে পুঁজিহে যোগান ধৰে। সেয়েহে খাদ্য সামগ্ৰীৰ লগতে কাপোৰেৰে সহায়ৰ হাত আগবঢ়াব পাৰে বহুজনে।

## ENGLISH NEWS SECTION

# Governor reviews Flood Relief Operations of Indian Red Cross Society, Assam



Guwahati,RB News: Assam Governor and President of the Indian Red Cross Society (IRCS), Assam State Branch, Shri Lakshman Prasad Acharya, chaired a high-level review meeting with the office-bearers of the Indian Red Cross Society, Assam State Branch, at Lok Bhavan to assess the ongoing humanitarian response and relief measures for flood-affected people across the State. The meeting was attended by the General Secretary of the IRCS, Assam State Branch, Deba Prasad Mishra, along with other senior functionaries, who briefed the Governor on the extensive relief and rehabilitation initiatives undertaken in response to the current wave of floods, particularly in the districts of Upper Assam. The delegation informed the Governor that the Indian Red Cross Society has activated its District Branches in the affected areas and mobilised trained volunteers to provide timely humanitarian assistance. They highlighted the rapid needs assessment being carried out on the ground and the close co-ordination being maintained with the respective District Administrations, the Assam State Disaster Management Authority (ASDMA), and the National Headquarters of the Indian Red Cross Society to ensure an effective and coordinated response. The Governor was also apprised of the challenges faced in delivering essential relief services, including emergency shelter, household relief materials, safe drinking water, healthcare, first aid, and Water, Sanitation and Hygiene (WASH) support to flood-affected communities.

# Governor inaugurates 47th State Level Senior and Junior Athletics Championship 2026



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya today inaugurated the 47th State Level Senior and Junior Athletics Championship 2026 at Nalbari Stadium, Sarihathali, Nalbari, and called upon the youth to embrace sports as a means of building character, discipline, resilience and national pride.The championship is being organized by the Assam Athletics Association in association with the Nalbari District Administration and the Nalbari District Sports Association. Addressing the inaugural ceremony, the Governor expressed happiness that nearly 1,200 athletes from across Assam are participating in the championship. He said that such enthusiastic participation reflects the State's growing sporting culture and is vital for realizing the vision of Viksit Bharat by 2047. He described the championship as an important platform for identifying and nurturing future champions who would bring laurels to Assam and the nation. Shri Acharya said that the land of Assam has produced several outstanding sportspersons who, through their relentless struggle, tireless hard work and determination, have brought immense pride to the State and the Nation. He referred to athletics icons Bhogeshwar Baruah, Hima Das, Amlan Borgohain and Moumita Mondal, boxing champions Lovlina Borgohain and Shiva Thapa, and ace archer Jayanta Talukdar, saying that their achievements continue to inspire young athletes to pursue excellence with discipline and dedication.

# 2027 WTC Final to be hosted by The Oval from June 9



RB News: The ICC has confirmed that the World Test Championship (WTC) 2025-27 final will be played at The Oval in London from June 9 to 13 next year. The Oval previously hosted the WTC 2021-23 final, in which Australia defeated India. England will also host the WTC finals in 2029 and 2031.

# Para powerlifter Jhandu Kumar bags bronze at CWG 2026



RB News: India's Jhandu Kumar clinched the bronze medal in the men's heavyweight para powerlifting event at the Commonwealth Games on Friday, securing the country's first medal of the competition. The 29-year-old registered a best lift of 190 kg on his second attempt. Jhandu amassed 130.9 points to finish on the podium after successfully lifting 181kg and 190kg. He failed his final attempt of 196kg. Nigeria's Riluwan Idris won gold with 132.8 points, while England's Matthew Harding took silver with 131.0 points. Jhandu missed gold by 1.9 points.

# India announce team for FIDE Chess Olympiad 2026



RB News: The Indian team for the upcoming FIDE Chess Olympiad was announced on Thursday. Gukesh D, Arjun Erigaisi, R Praggnanandhaa, Nihal Sarin and Vidit Gujrathi are part of the India (Open) team, which will be captained by Srinath Narayanan. Swayams Mishra will lead India (Women) team comprising Humpy Koneru, Vaishali Rameshbabu, Divya Deshmukh, Vantika Agrawal and Savitha Shri B.

# Shreyas lyer wins 1st match as India captain



RB News: Vaibhav Sooryavanshi smashed 50 in 19 balls as India eased to a seven wicket win against Zimbabwe in the first T20I in Harare with 40 balls to spare. Shreyas Iyer has thus finally recorded his first win as India's T20I captain, having lost six out of his first seven games in the tours of Ireland and England. India restricted Zimbabwe to 125/7 and chased down the target in 13.2 overs.

# Rights are rarely understood until people have bled for them



**Jahnabi Borah ,Tinsukia**

Before you understand what human rights are, countless lives may already have been sacrificed.By the time people realize what freedom truly means and how it ought to be celebrated, they will have already become prisoners. By then, there will be no path to unshackle their bodies, and no path to liberate their minds. Throughout history, countless movements have been fought for freedom and human rights. These struggles have taken place across the world. Even then, society was divided. In reality, people often fall into three groups. The first is the government—its officials and political leaders. The second consists of those who protest because they are dissatisfied with the government policies or demand reforms and greater protection of rights. The third consists of citizens who support the government anyway. Ultimately, these three groups often become two opposing sides: the government and its supporters on one side, and the protesters on the other. This is one of democracy's greatest challenges. No, there's no such word as neutral people. You eventually support injustice when you are not speaking up against it. In a democracy, achieving complete unity is extremely difficult. Differences of opinion are not an exception they are an inherent part of the system. Throughout history, movements for civil liberties, voting rights, labor rights, and other human rights have repeatedly divided societies. There have always been protesters demanding change and others defending the existing order. Many of the rights and freedoms we enjoy today did not appear on their own. At some point in history, someone stood up for them. People protested, endured persecution, shed blood, and in many cases gave their lives so that future generations could live with greater dignity and freedom. The fact that we did not witness those struggles ourselves does not mean they never happened. Nor does it mean everyone supported those movements. Many believed the existing system should remain unchanged or viewed protests as a threat to social order. But protest is also a right. Whether it is the right to protest the situation would be different if the Constitution were amended to state that protest is no longer a protected right. Until then, however, we should understand what the Constitution actually guarantees and how constitutional amendments are made. A sound understanding of the constitutional amendment process is essential for informed public discussion. Most people cannot foresee what society will look like fifty or a hundred years into the future. They live their lives, work, raise families, and hope for a peaceful existence. Not everyone thinks in terms of future generations or humanity's long-term progress and sustainability. As a result, people interpret human rights through very different lenses.This is not simply a matter of illiteracy. Highly educated people can oppose rights movements, while people with little formal education can support them. More often, it reflects values, priorities, worldview, and whether one sees beyond immediate personal interests. To some, every protest looks like disorder or even a riot. But not every protest is a riot. Peaceful protest is often a demand for justice, dignity, and rights.

## নতুনকৈ নিজৰ প্ৰেমত



**চিমী বৰুৱা, মৰিগাঁও, চৰাইবাহী**

তুমি দি যোৱা হুমুনিয়াহবোৰকে মই নিয়তি বুলি ভাবিছিলোঁ,
চকুপানীৰ সাগৰত বুৰ গৈ উশাহ ল'বলৈ পাহৰিছিলোঁ।
অচিনাকি ছাঁ এটা হৈ ঘূৰি ফুৰিছিলোঁ তোমাৰ চহৰত,
য'ত মোৰ নিজৰ বুলি একোৱেই নাছিল কোনো কোণত।
তোমাৰ খং, তোমাৰ অভিমান বুজোঁতে বুজোঁতে,
মই কেতিয়ানো মোৰ নিজৰ হাঁহিটো হেৰুৱালোঁ গমেই নাপালোঁ।
ভাবিছিলোঁ তোমাৰ অবিহনে মই মাথোঁ এটা সৰা পাত,
যাৰ নাই কোনো নিজস্ব ৰং, নাই কোনো চিনাকি মাত।
কিন্তু আজি বতাহজাকৰ সুৰটো কিছু বেলেগ লাগিল,
বুকুৰ ভিতৰত থকা মইজনী যেন হঠাতে সাৰ পাই উঠিল।
আজি মোৰ প্ৰিয় গানটো গুণগুণাই নিজকে অলপ চালোঁ,
বহুদিনৰ মূৰত নিজৰ চকুলৈ চাই এক অবুজ শান্তি পালোঁ।
হৃদয়ৰ কোনোবা কোণৰ পৰা যেন এটা আশ্বাসে ৰিঙিয়ালে-
"চাচোন, তই এতিয়াও কিমান ধুনীয়া,
তই এতিয়াও জীয়াই আছ।"
তুমি মোৰ হাতখন এৰি দিয়াটোৱেই আছিল
মোৰ আটাইতকৈ ডাঙৰ মুক্তি,
নহ'লে মই কেতিয়াও বিচাৰি নাপালোঁহেঁতেন
মোৰ ভিতৰৰ এই শক্তি।
মৰম বিচাৰি আনৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰা মইজনীয়ে,
আজি বুজি পালোঁ- আটাইতকৈ পবিত্ৰ প্ৰেমটো
আচলতে নিজৰ বাবেই সংৰক্ষিত আছিল।
গতিকে ধন্যবাদ তোমাক,
মোক মোৰ আকাশখন ঘূৰাই দিয়াৰ বাবে,
মোৰ চকুৰ পৰা অন্ধকাৰৰ সেই পৰ্দাখন আঁতৰাই দিয়াৰ বাবে।
তুমি অবিহনে মোৰ পথ হেৰাই যোৱা নাই,
বৰঞ্চ মই মোৰ নিজৰ ঠিকনা হে বিচাৰি পালোঁ,
এক নতুন বিশ্বাসেৰে।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# কাৰ্টুন আৰু ভিডিঅ' গেম শিশুৰ মানসিক উৎকৰ্ষৰ সাৰথি নে ব্যাধি?

কল্পনা দত্ত ,নুনমাটি, গুৱাহাটী



সময়ৰ সোঁতত শৈশৱৰ সংজ্ঞা আৰু সঁজুলিবোৰ আচৰিত ধৰণে সলনি হৈছে। আমাৰ পুৰণি প্ৰজন্মৰ শৈশৱটো য'ত চোতালৰ ধূলি-বালি, গছৰ ছাঁ, জোনাক নিশাৰ সাধুকথা আৰু মুকলি পথাৰৰ লৰা-ধপৰাৰ মাজত প্ৰাণৱন্ত হৈ আছিল; আজিৰ নৱপ্ৰজন্ম বা শিশুসকলৰ শৈশৱটো ঠিক তাৰ বিপৰীতে টেলিভিছনৰ ৰঙীন কাৰ্টুন চিৰিয়েল বা ম'বাইল-কম্পিউটাৰৰ ভিডিঅ' গেমৰ এক কৃত্ৰিম আৱেষ্টনীৰ মাজলৈ সংকুচিত হৈ পৰিছে। আজিকালি প্ৰায় প্ৰতিখন ঘৰৰে এটা অতি সাধাৰণ ছবি-ব্যস্ত অভিভাৱকে শিশুটিক অলপ শান্ত কৰি ৰাখিবলৈ বা ভাত কেইটা খুৱাবলৈ হাতত ম'বাইলটো তুলি দিয়ে। কিন্তু ইয়াৰ মাজতে এটা অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন লুকুৱাই আছে-এইকাৰ্টুন বা ভিডিঅ' গেমসমূহে শিশুৰ মানসিক উৎকৰ্ষ সাধনত সঁচাকৈয়ে সহায় কৰিছে নে ই তেওঁলোকৰ কোমল মনটোক এক যান্ত্রিক জড়তালৈ ঠেলি দিছে নেকি বাৰু? ই এক গভীৰ প্ৰশ্ন?

কৌতূহল আৰু বৈজ্ঞানিক একাগ্ৰতাৰ সাৰথি ডিজিটেল মাধ্যমক আমি পোনপটিয়াকৈ সম্পূৰ্ণ বৰ্জন বা গৰিহণা দিব নোৱাৰোঁ। আধুনিক শিক্ষা আৰু মনস্তত্ত্ব বিজ্ঞানৰ কিছুমান গৱেষণাই দেখুৱাইছে যে যদিহে বিষয়বস্তু শিক্ষামূলক হয়, তেন্তে কাৰ্টুন আৰু ভিডিঅ' গেমে শিশুৰ মগজুৰ কাৰ্যক্ষমতা বৃদ্ধিত ইতিবাচক ভূমিকা ল'ব পাৰে। সেয়েহে শিশুৰ ক্ষেত্ৰত সহায়ক হোৱা কিছু বিষয়বস্তু তলত দিয়া হ'ল -

১) কল্পনাশক্তি আৰু ভাষাৰ বিকাশঃ- এনিমেছন চিনেমা বা কিছুমান চিৰিয়েলে শিশুৰ কল্পনাক ডেউকা দিয়ে। মহাকাশ, বন্যপ্ৰাণী বা পঞ্চতন্ত্ৰৰ সাধু ভিত্তিক কাৰ্টুনবোৰে তেওঁলোকৰ শব্দভাণ্ডাৰ বৃদ্ধি কৰাৰ লগতে নতুন ভাষা শিকাৰ প্ৰক্ৰিয়াটো সহজ কৰি তোলে।

২) কৌশলগত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতাঃ-বিশেষকৈ কিছুমান পাজল (Puzzle) বা কৌশলভিত্তিক ভিডিঅ' গেমে শিশুৰ সমস্যা সমাধানৰ ক্ষমতা বৃদ্ধি কৰে। কম সময়ৰ ভিতৰত কেনেকৈ খেলত লক্ষ্যত উপনীত হ'ব লাগে, তাৰ বাবে মগজুৱে যি খৰতকীয়া বিশ্লেষণ কৰিবলগীয়া হয়, সিয়ে শিশুৰ 'ৰিফ্লেক্স' আৰু মানসিক সজাগতা তীক্ষ্ণ কৰি তোলে।

প্ৰতিটো মুদ্ৰাৰে এটা ওলোটা পিঠি থকাৰ দৰে, এই মাধ্যমৰ অতিৰিক্ত ব্যৱহাৰ আৰু আসক্তিয়ে শিশুৰ মনস্তত্ত্বৰ ওপৰত এক ভয়ংকৰ আৰু দীৰ্ঘম্যাদী কু-প্ৰভাৱ পেলাই আহিছে। যিটো আটাইতকৈ চিন্তনীয় বিষয়।

১) আক্ৰমণাত্মক আচৰণ আৰু হিংস্ৰতা- আজিকালিৰ বহুতো ভিডিঅ' গেম বা আধুনিক কাৰ্টুনত প্ৰচুৰ পৰিমাণে কটা-কটি, যুদ্ধ বা উগ্ৰ ধাউতি দেখুওৱা হয়। শিশুৰ কোমল অবচেতন মনে এই দৃশ্যবোৰক অতি স্বাভাৱিক বুলি গ্ৰহণ কৰে আৰু লাহে লাহে তেওঁলোকৰ বাস্তৱ আচৰণতো এক খিংখিঙিয়া, জেদী আৰু আক্ৰমণাত্মক ভাব ফুটি উঠে।

২) একাগ্ৰতাৰ অভাৱ - টিভিত বা মোবাইলত চেকেণ্ডে চেকেণ্ডে সলনি হোৱা তীব্ৰ পোহৰ আৰু দ্ৰুত দৃশ্যবোৰ চাই থকাৰ বাবে শিশুৰ স্বাভাৱিক মন সংযোগ কৰাৰ ক্ষমতা কমি যায়। ইয়াৰ ফলত তেওঁলোকে পৰৱৰ্তী সময়ত কিতাপৰ পাতত বা শ্ৰেণীকোঠাৰ পাঠত দীৰ্ঘসময় ধৰি মনোযোগ ধৰি ৰাখিব নোৱাৰে।

৩) সামাজিক আৰু শাৰীৰিক স্থবিৰতা- বাস্তৱ জগতখন এৰি এই ভাৰ্চুৱেল পৃথিৱীত বিলীন হৈ থকাৰ বাবে শিশুসকল লাহে লাহে আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ পৰা আঁতৰি এক আৱেগিক শূন্যতাৰ মাজত ডাঙৰ হয়। খেলপথাৰৰ অভাৱে তেওঁলোকক কায়িকভাৱে দুৰ্বল কৰাৰ লগতে মেদবহুলতা আৰু অনিদ্ৰাৰ দৰে শাৰীৰিক ৰোগৰ ফালে ঠেলি দিয়া পৰিলক্ষিত হয়।

দুয়োটা দিশ চালি- জাৰি চায় এক সমতুল্য বিশ্লেষণ আগবঢ়োৱা হ'ল -

নিয়ন্ত্ৰণ এতিয়া কাৰ হাতত আছে?

দেখা যায় যে কাৰ্টুন বা ভিডিঅ' গেম নিজে কেতিয়াও সম্পূৰ্ণ অপৰাধী নহয়। ই শিশুৰ বাবে মানসিক উৎকৰ্ষৰ সাৰথি হ'ব নে এক মানসিক ব্যাধি হ'ব-তাৰ চাবিকাঠি আচলতে নিয়ন্ত্ৰণকাৰী বা অভিভাৱকসকলৰ হাততহে থাকে। প্ৰযুক্তিবিদ্যা এক উত্তম সঁজুলি হ'ব পাৰে, কিন্তু তাক কেতিয়াও শিশুৰ 'অভিভাৱক' বা 'একমাত্ৰ সংগী' হ'বলৈ দিব নোৱাৰি। ইয়াত পৰিয়ালৰ ভূমিকা আটাইতকৈ গুৰুত্বপূৰ্ণ।

প্ৰথমতে, শিশুৰ টিভি বা ম'বাইল চোৱাৰ সময়সীমা দিনটোত ২ ঘণ্টাতকৈ বেছি হ'ব নালাগে। দ্বিতীয়তে, তেওঁলোকে কি চাই আছে বা কি গেম খেলি আছে, তাৰ ওপৰত তীব্ৰ নিৰীক্ষণ থাকিব লাগে। হিংস্ৰ খেলৰ সলনি শিক্ষামূলক আৰু গঠনমূলক এনিমেছন বা বাচি দিব লাগে।

সামৰণিত উল্লেখ কৰিব বিচাৰোঁ -

শিপা আৰু প্ৰযুক্তিৰ সমন্বয় ডিজিটেল মনোৰঞ্জন আধুনিক যুগৰ এক বাস্তৱতা, ইয়াক সম্পূৰ্ণৰূপে নুই কৰা অসম্ভৱ। কিন্তু এটি শিশুৰ প্ৰকৃত আৰু সুস্থ মানসিক উৎকৰ্ষ তেতিয়াহে সম্ভৱ, যেতিয়া তেওঁ প্ৰযুক্তিৰ ব্যৱহাৰ কৰাৰ সমান্তৰালভাৱে নিজৰ মাটি, সংস্কৃতি আৰু প্ৰকৃতিৰ উশাহ ল'বলৈ সুযোগ পাব। ম'বাইলৰ কৃত্ৰিম স্ক্ৰীনখনৰ বাহিৰেও যে কিতাপৰ পাতত এক অপূৰ্ব পৃথিৱী আছে, আইতাক-ককাকৰ কোলাত সঁচা মৰম আৰু সাধুকথাৰ যাদু আছে, সেয়া শিশুটিক অনুভৱ কৰোৱাব লাগিব। যেতিয়া আমি ডিজিটেল মাধ্যমৰ গঠনমূলক ব্যৱহাৰ আৰু বাস্তৱ জীৱনৰ আৱেগিক শিক্ষাৰ মাজত এক সুন্দৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰিম, তেতিয়াহে আমাৰ অনাগত প্ৰজন্মৰ মানসিক আৰু বৌদ্ধিক বিকাশ আচল অৰ্থত সুন্দৰ আৰু সুৰক্ষিত হৈ উঠিব।

# Photo Albums: A Nostalgic Relic of a Simpler Time

Heramba Nath

There was a time when visiting the home of a relative or acquaintance meant being welcomed into the drawing room and handed a stack of photo albums to browse through. These albums served not only as a pleasant way to pass the time but also as windows into the lives and memories of others. We would eagerly turn the pages, fascinated by the photographs. No matter how many pictures we saw, our curiosity remained unsatisfied. It often felt as though the photographs themselves could speak, telling stories of people, places, and moments frozen in time.

Through photo albums, we became familiar with family members and friends whom we had never met in person. An album was much more than a collection of photographs; it was a treasured record of relationships, celebrations, and shared experiences. It reflected the warmth and closeness that once defined family life.

Today, however, the traditional photo album has largely been replaced by mobile phones, computers, pen drives, and cloud storage. Thousands of photographs can now be stored digitally, yet they are rarely viewed with the same excitement and attention. As technology advances, photo albums have gradually become symbols of nostalgia.



At the same time, society itself has changed. Joint families have become increasingly rare, and communities have grown more individualistic. Villages are rapidly adopting urban lifestyles, and the strong bonds that once connected extended families are slowly weakening.

Even so, despite the convenience of modern technology, no electronic device can truly replace the charm of a photo album. Its appeal was unique, timeless, and deeply personal. For many, it remains a cherished reminder of a simpler and more connected past.